চান্দমামা

অগাস্ট ১৯৯৭

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই



জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়।

বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।



• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as



Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

চান্দমামা

অগাস্ট : ১৯৯৭

Gautam Goswami
9-8-1997

এই সংখ্যাত আছে

ঘৰ-শত্ৰুক খেদক	...৭
বাঘৰ ঢুলিয়ান	...৯
পুঠিমাছৰ চৰ্চৰি	...১০
ঘোঁৰা শিঙৰ কৰিয়া	...১৫
সম্ৰাট অশোক	...১৭
কাচ আৰু কাঞ্চন	...২৫
সাগৰৰ পাৰে পাৰে	...৩৩
সপোনৰ ৰজা দিঠকৰ ৰাণী	...৩৭
সোণালী দুৱাৰ	...৪১
মহাভাৰত	...৪৫
বাৰেবুৰি বাতৰি	...৫২
চান্দমামা ক্ৰোড়পত্ৰ	...৫৩
ভক্তবৈশ্য ভগৱন্ত	...৫৬
বেদলা চাই বেজালি	...৬২

আৰু

ফটো-নামকৰণ প্ৰতিযোগিতা : ৬৬

চান্দমামা

প্ৰতি ভাষা - প্ৰতিখন

৬.০০ টকা

বছৰেকীয়া বৰঙণিৰ ধন

৭২.০০ টকা মাথোন

মা,
এল আই চি-নো কি ?

ই হ'ল সুৰক্ষাৰ
আৰামদায়ক কম্বল !



এল আই চি হ'ল লাইফ ইঞ্চিওৰেন্স কৰ্পোৰেশ্যন অব ইণ্ডিয়া। ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ উজ্জ্বল কৰি তুলিবলৈ ইয়াৰ সৈতে আছে বিভিন্ন অভিনৱ যোজনা। তোমাৰ মা-দেউতাক সুধিলেই তেওঁলোকে আমাৰ জীৱন সুকন্যা, জীৱন কিশোৰ, জীৱন বাল্য আৰু চিলড্ৰেন্স মনি বেক পলিচি আদি যোজনাৰ বিষয়ে বুজাই দিব। এল আই চি হ'ল সদায়েই তোমাৰ শুভাকাংক্ষী।

লাইফ ইঞ্চিওৰেন্স কৰ্পোৰেশ্যন অব ইণ্ডিয়া

বীমা কৰক আৰু সুৰক্ষিত হওক

R K SWAMY/BBDO LIC 6180 D ASM



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামা

সংস্থাপক : চক্ৰপাণি ✳ সঞ্চালক : নাগিৰেড্ডি

ঘৰ-শত্ৰুক খেদক

উন্নত দেশ আৰু 'উন্নতিশীল' দেশৰ মাজত পাৰ্থক্য ভালেখিনিয়েই। আমাৰ ভাৰত হ'ল—উন্নতিশীল। কিন্তু—আজিৰ মহাকাশীয় গতিৰ যুগতো এই উন্নতিশীলতাই পঞ্চাছ বছৰত 'কাছীয়' যুগ পাৰ হ'ব পৰা নাই যেন লাগিছে।

পঞ্চাছ বছৰৰ আগতে আমি যেনেকৈ ৰাগ টানি ৰাম-ভাৱনা পাতিছিলোঁ—তাৰে হেলাৰে হাতী-কপলীয়া হ'ম-বুলিয়েই আমি চাৰি প্ৰসঙ্গ গাইছিলোঁ। পিছে—হ'লনো কি ? অৱশ্যে—হয়, আমি ফাইটাৰ প্লেন বনালোঁ, মিচিল (দলিয়াই পঠাবপৰা অস্ত্ৰ) বনাব পৰা হ'লোঁ, ৰকেট, ৰেলৰ এঞ্জিন, মোটৰগাড়ীৰো ইটো-সিটো বনাব জানিলোঁ, ভালৰো ভাল পাটৰ কাপোৰ বৈ উলিয়াব পৰা হ'লোঁ—আদি আৰু যে কত কি। কিন্তু—কিন্তু তথাপি—আমাৰ জনসংখ্যাৰ ২০ ভাগ এতিয়াও দাৰিদ্ৰ্য সীমাৰ তলত, ৫০ ভাগে ক-ৰ কেইটা চুক তাকো নজনা !

আন এখন উন্নতিশীল দেশঁ, সেইখন দেশো এছিয়াৰে, যাৰ নাম কোৰিয়া। তেওঁলোকে তেওঁলোকৰ বছৰেকীয়া বাজিটৰ (Budget) ২৫ ভাগ দেশৰ শিক্ষাৰ কাৰণে ব্যয় কৰে। আৰু—আমি ? ভাৰতে ? ভাৰতে শিক্ষাৰ কাৰণে ব্যয় কৰোঁ ২.৫, মানে সৰ্বমুঠ শতকৰা আঢ়ৈভাগ। যদিও—প্ৰতিৰক্ষাত আমাৰ ব্যয়—শলাগিবলগীয়ায়েই—শতকৰা ৩০ ভাগ !

এহি মাহতে আমাৰ *স্বাধীনতাৰ* সুৱৰ্ণ জয়ন্তী পালিত হ'ব। আমাৰ কৌটি-কৌটিয়ে এহি *স্বাধীনতাৰ* সা-সমাৰোহ চাব, চকুত জলক-তবকো লাগিব। পিছে একবিংশ শতিকালৈ ঘূৰি চোৱাৰ আগতে—মহাত্মা গাঁধীৰ (গান্ধী) সেই মহান বাণীষাৰক সাৰোগত কৰি অশিক্ষাৰ ভয়াবহ অভিশাপ গুচাবলৈ অনাখৰীক আখৰুৱা কৰিব পাৰোঁনে ? অনাখৰীক আখৰ শিকাওঁ আহক।

'প্ৰতিজনে এজনক'

বছৰ : ২২ অগাস্ট ১৯৯৭ সংখ্যা : ৫

খনে : ৬.০০ টকা ✳ বছৰি : ৭২.০০ টকা



‘ସଚିତ୍ର ବିଜୟା’ : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ସ୍ୱାଧୀନତାର ସୁବର୍ଣ୍ଣ ଜୟନ୍ତୀ ବିଶେଷାଙ୍କ : ଅଗଷ୍ଟ ସଂଖ୍ୟା



ମୁଖ୍ୟପ୍ରସଂଗ : ସ୍ୱାଧୀନତା ସଂଗ୍ରାମୀର ଶେଷ ନିଶ୍ୱାସ, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଂଗ : ମୋ ସ୍ୱାଧୀନତା ସଂଗ୍ରାମର ଆତ୍ମକଥା, ଏ ମାସର ବ୍ୟକ୍ତିତ୍ୱ : ଶ୍ରୀ ଅରବିନ୍ଦ, ଭିନ୍ନ ମଣିଷ : ରେକର୍ଡ଼ ରାଇଜର ରାଜା, କବି ଓ କବିତା : ରଜନୀକାନ୍ତ ଦାସ, ପୁସ୍ତକ ସମୀକ୍ଷା : ଜୀବନର ପଥପ୍ରାନ୍ତେ ଦିଗନ୍ତର ଦୃଶ୍ୟ, ଅସ୍ତରାଗ : ମାଲ୍ୟବନ୍ତର ମାଲିକାନା, ସ୍ୱପ୍ନ ଜଗତର ଦ୍ୱିତୀୟ ଭାଗ ଠାରୁ ତିନୋଟି ଅନନ୍ୟ ଗଳ୍ପ ଓ **‘ଜୀବନ ଯେମିତି’**ରେ ‘ସଂଜ ସଳିତା’ର **ରଂଗୀନ ଦ୍ୱିପତ୍ର ।**

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ସ୍ୱାଧୀନତାର ସୁବର୍ଣ୍ଣ ଜୟନ୍ତୀ ବିଶେଷାଙ୍କର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା।

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ ‘ଜହ୍ନମାମୁଁ’ ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

পৃথিৱীৰ খিৰিকীৰে

ইংৰাজৰ দেশৰ

বাঘৰ চুলিয়ান ব্লেয়িৰ

চৌধ্য বছৰীয়া স্কটল্যাণ্ডীয় ল'ৰাটোৰে স্কুলত নাম লগাই চৈধ্যভুৱন দেখা হ'ল । ইমান যে কটকটীয়া নিয়ম-নীতি—যাৰ ফলত ৰাপ নোহোৱা হ'ল পঢ়াশলীয়া-পঢ়নৰ প্ৰতি । তেতিয়া পটুৱৈ ল'ৰাটিয়ে পঢ়ন ধোঁৱাচাণ্ডত তুলি থৈ ওৱেস্ট ইণ্ডিজৰ বাহমালৈ গুচি যাবলৈ বাহানা জুৰিলে ; কিন্তু মনে খনা পুখুৰীত পানী খাবলৈ নাপালে । —এইবোৰ কথা ৩০ বছৰৰ আগৰ কথা । শুনাত আচৰিত যেন লাগিলেও— সিদিনাৰ সেই ল'ৰাটিয়েই এতিয়া দহ নাম্বাৰ ডাউনিং স্ট্ৰিটৰপৰা গ্ৰেট বৃটেইনৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব কঢ়িয়াইছে।

হয়, ঠাৱৰিছে ঠিকেই । এওঁৱেই হ'ল টনি ব্লেয়িৰ। তেওঁৰ লেবাৰ পাৰ্টিয়ে যোৱা ১ মে'ৰ সাধাৰণ নিৰ্বাচনত ৬৫৯ আসনৰ ৪১৯ আসনত জিকিলে আৰু একক সংখ্যাগৰিষ্ঠতা লভি যোগ্য নেতা বাঘৰ চুলিয়ান ব্লেয়িৰক প্ৰধানমন্ত্ৰী পাতি চৰকাৰ গঠন কৰিলে আৰু এইদৰে বৃটেইনক ৰক্ষণশীল দলৰ ১৮ বছৰীয়া শাসনৰ অন্ত পেলাই এক অচিন্ত্যপূৰ্ব ইতিহাসৰ সৃষ্টি কৰিলে।

টনি ব্লেয়িৰ ১৯৫৩ চনত জন্মগ্ৰহণ কৰিলি। তেওঁৰ পিতৃ-মাতৃ উভয়েই আছিল ৰক্ষণশীল দলৰ সদস্য। অক্সফ'ৰ্ডৰ ছেইণ্ট জ'নছ্ কালিজত আইন পঢ়ি থাকোঁতেই টনি ব্লেয়িৰে ৰক্ষণশীল দৃষ্টিভংগীৰ অসাৰতা আৰু সমাজবাদী দৃষ্টিভংগীৰ ভৱিষ্যৎ সম্পৰ্কে গভীৰভাৱে উপলব্ধি কৰিব পৰা হৈছিল আৰু এই উপলব্ধিয়েই শ্ৰমিক দলৰ, অৰ্থাৎ লেবাৰ পাৰ্টিৰ সদস্যৰূপে যোগদানৰ বাট কাটিছিল । তিমানতে তেওঁ ট্ৰেড ইউনিয়ন আইনৰ ডিগ্ৰি পাইছিল আৰু পৰিপূৰ্ণকৈ ৰাজনীতিত অংশগ্ৰহণ কৰাৰ আগতে ব্যাৰিষ্টাৰ হিচাপে কেইবছৰমান কৰ্মৰত আছিল।

১৯৮৩ চনত তেওঁ শ্ৰমিক দলৰ সদস্যৰূপে হাউচ অব্ কমন্সত স্থান লাভ কৰিছিল। ১৯৯২ চনত তেওঁ পাৰ্ল্যামেণ্টৰ সদস্য হৈছিল। তেঁতিয়া তেৱেঁই আছিল পাৰ্ল্যামেণ্টৰ সৰ্বকনিষ্ঠ সদস্য। সেই চনতে লেবাৰ পাৰ্টিয়ে বৃটেইনত যি ছাঁ-মন্ত্ৰিসভা গঠন কৰিছিল, সেই ছাঁ-মন্ত্ৰিসভাত তেওঁক স্বৰাষ্ট্ৰমন্ত্ৰীৰ পদ প্ৰদান কৰা হৈছিল। ১৯৯৪ চনত তেওঁ লেবাৰ পাৰ্টিৰ জাতীয় কাৰ্যনিৰ্বাহক সমিতিৰ (ন্যাশ্বানাল ইগ্‌জিকিউটিভ কমিটি) সদস্যপদ লাভ কৰিছিল। ১৯০৬ চনত লেবাৰ পাৰ্টি গঠিত হোৱাৰপৰা তেওঁ হ'ল এই প্ৰতিষ্ঠিত পাৰ্টিৰ ২০তম পাৰ্টি নেতা। জনমত লোৱাত ৬১ ভাগেই তেওঁক প্ৰধানমন্ত্ৰী পতাৰ পক্ষে মতামত প্ৰকাশ কৰিছিল, যিস্থলত ৰক্ষণশীল মি. জন্ মেজাৰে পাইছিল মাত্ৰ ২১ ভাগ ভোট।

লেবাৰ পাৰ্টিয়ে যে জয়লাভ কৰিব, সেই কথাত পাৰ্টিৰ কোনো সন্দেহ নাছিল, কিন্তু এনেহেন গৰাখহনীয়া ধৰণে বিজয়লাভ হ'ব বুলি লেবাৰ পাৰ্টিৰো কোনোৱেই কল্পনাও কৰিব পৰা নাছিল।

বিজয়লাভৰ পাছত এক ভাষণত শ্ৰীযুক্ত টনি ব্লেয়িৰে কৈছে : "এক ন-দিগন্ত উন্মোচিত হ'ল, হ'ল ন-উষাৰ অভ্যুদয়।" তেওঁ আৰু কৈছে : "আমি আমাৰ এই দেশক নতুনকৈ গঢ়ি তুলিম, য'ত আমাৰ সকলো শিশুৱে পাব শিক্ষা, সকলোটিয়েই প্ৰাপ্ত হ'ব সুস্বাস্থ্য, আৰু জীৱনৰ সাৰ্বিক কল্যাণ।"

৪৩ বছৰীয়া শ্ৰীযুক্ত টনি ব্লেয়িৰ হ'ল এই শতিকাৰ সৰ্বকনিষ্ঠ বৃটিশ প্ৰধানমন্ত্ৰী। অৱশ্যে—লৰ্ড লিভাৰপুল আছিল ৪২ বছৰীয়া প্ৰধানমন্ত্ৰী, কিন্তু সেয়া আছিল যোৱা শতিকাৰ, ১৮১২ চনৰ কথা।

পুঠিমাছৰ চৰ্চৰি

কুন্দপুৰলৈ অহা কুমুদে ইয়ালৈ আহিয়েই চুবুৰীয়া প্ৰমোদৰ বিষয়ে নানান প্ৰশংসা শুনিছিল, আৰু এদিন প্ৰদীপৰ ওচৰলৈ গৈ চিনাকি হ'বলৈ মন মেলিছিল। কুমুদো আছিল টনকিয়াল অৱস্থাৰ মানুহ, আৰু প্ৰদীপৰ তো কথাই নাই, প্ৰদীপৰ ধনে-ধানে মাটিয়ে-ভেটিয়ে জয়জয় ময়ময়, আৰু অতি সুখী পৰিবাৰ-পৰিজনো নথকা নহয়। আৰু তাৰ লাখ লাখ নগদ-নাৰায়ণ আছে বুলিও গাঁৱৰ ৰাইজে কয়।

কুমুদ এদিন প্ৰদীপৰ ওচৰলৈ গ'ল আৰু নিজেই নিজৰ চিনাকি দিয়া হ'ল। তাৰ পাছত—প্ৰাথমিক চিনা-পৰিচয়ৰ অন্তত কুমুদে ক'লে, "দৰাচলতে—তোমাৰ গুণৰ কথা শুনিহে মই নন্দপুৰ এৰি কুন্দপুৰলৈ আহিলোঁ সৎ প্ৰতিবেশীৰ আশাকৰো তোমাৰপৰা নিশ্চয় সদায় সজ দিহা-পৰামৰ্শ পাম।"

প্ৰদীপে মিঠাকৈ হাঁহিৰে কুমুদক ক'লে, "মই শপত খালোঁ যে — কাকো কেতিয়াও কোনো দিহা-পৰামৰ্শ মই নিদিওঁ। বেয়া নাপাবা। দিহা-পৰামৰ্শ নিদিলেও আমি মিত্ৰ হৈ থাকিব পৰিম।"

কুমুদেও হাঁহিৰে ক'লে, "বিপাঙ-বিঘিনিত পা-পৰামৰ্শ নিদিলে মিত্ৰতা দ'লৈকে নিশিপায়। যি কি নহওক—তুমি দিহা-পৰামৰ্শ নিদিলেও নিদিবা, মই কিন্তু দি থাকিম।"

"মোক কোনো পা-পৰামৰ্শ নালাগে।"

"মই তথাপি দিম। মই প্ৰমাণ কৰিম যে—তোমাৰ এই মনোভাব ভুল।" কুমুদে যেনিবা কুঠীয়া-ঠেহ পাতিলে।

তাৰ পাছত এদিন কুমুদে প্ৰমোদক ক'লে, "প্ৰদীপ, তোমাৰ ওচৰত লাখ-লাখ টকা আছে। টকাখিনি এনেয়ে পেলাই নথৈ—তুমি সুতৰ কাৰবাৰত ধৰাঁ, ঢেৰ লাভ হ'ব।"

"যিসকলে টকা ধাৰলৈ লয়, সিসকলৰ ঢেৰ সমস্যা থাকে আৰু সময়মতে কৰ্জাৰ ধন শোধাব নোৱৰা হয়। আৰু—সুতৰ কাৰবাৰ কৰি থাকিলে দয়া-ধৰ্ম অন্তৰৰ আঁতৰ হয়। গতিকে—এনেবোৰ কাৰবাৰত মই নাই।" প্ৰদীপে ক'লে।

কিছু দিনৰ অন্তত কুমুদে প্ৰদীপক আকৌ এদিন ক'লে, "প্ৰমোদ তোমাৰ ল'ৰাটো উচ্চশিক্ষিত হ'ল। তাক চহৰলৈ পঠোৱা, নিশ্চয় ভাল চাকৰি পাব। আৰু — তোমাৰ ছোৱালীজনীৰ কাৰণে এনে এজন দৰা আনা —যিজন দৰাই তোমাৰ ঘৰ-জোঁৱাই হৈ থাকিব। কিয়নো — বুঢ়াকালত বোৱাৰীও শতুৰু হয়, ছোৱালীয়ে তোমাৰ আলপৈচান ধৰিব, আৰু তাই তাইৰ গিৰিয়েককো তোমাৰ সেৱা-যত্ন কৰাত বাধ্য কৰিব।"

কিন্তু কুমুদৰ এই উপযচা পৰামৰ্শত প্ৰমোদে মুঠেই ভাল নাপালে। প্ৰমোদে ক'লে, "ছোৱালী এজনীৰে বোৱৰী হৈ শহুৰেকৰ ঘৰতে থাকিব—এয়ে হ'ল বাঞ্ছিত কথা। আৰু-ছোৱালীক ঘৰতে ৰাখি ঘৰ-জোঁৱাইক তেল-পানীৰে পুহি থকাত গৌৰৱো নাই, কোনো সুবিধাও নেদেখোঁ। আৰু—আমাৰ ঘৰলৈ অহা বোৱাৰীক যদি আমি আপোন কৰি ল'ব নোৱাৰোঁ, সেয়া আমাৰহে ব্যৰ্থতা, বোৱাৰীৰ জগৰ নহয়।

কিছু দিনৰ অন্তত কুন্দপুৰ গাঁৱত এক নতুন সমস্যাই মূৰ দাঙিলে। কুন্দপুৰত চোৰ-লুটিয়াৰৰ বৰ প্ৰাদুৰ্ভাৱ হ'ল। সিহঁতে লোকৰ ঘৰে-ঘৰে ৰাতিৰ পৰতো তো হয়েই—আনকি দিনে-পোহৰেও লুট-পাত উৎপাত কৰি থাকিল। ৰাজ-প্ৰহৰীহঁতৰ চকুত বালি মাৰি সিহঁতে এই সৰ্বনশীয়া কাম সুকলমেই কৰি থাকিল। গাঁৱৰ ডেকাল'ৰাহঁতে সংঘবদ্ধ হৈ চোৰ-লুটিয়াৰহঁতক প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিও সিমান সফল নহ'ল।

কুমুদে এই বিষয়ত এদিন প্ৰমোদলৈ পৰামৰ্শ আগ বঢ়ালে, "পূৰা ধন-সোণাখিনি চন্দুকত ৰাখি থ'লে চোৰ-লুটিয়াৰহঁতে সোপাকৈ লৈ যাব। গতিকে—ঘৰৰ পিছফালে দ গাঁত খান্দি ধন-সোণাখিনি পুতি থওঁ যদি—কিজানি ভালেখিনিলৈকে নিৰাপদ হ'ব পৰা যাব। এই বিষয়ে তোমাৰনো কি মত?"

প্ৰমোদে কুমুদৰ এই কথাতো একেবাৰেই ভাল নাপালে আৰু ক'লে, "চোৰ-

লুটিয়াবহঁতে যেতিয়া ঘৰত একোকে নোপোৱা হ'ব, তেতিয়া বাহিৰত বিচাৰি থাকিব। আমি যে আমাৰ ধন-সোণ জোনত বা ভোটাতবাত থোৱাগৈ নাই — সিহঁত নিশ্চয় নুবুজাকৈ নাথাকে। গতিকে — এই পৰামৰ্শ আচলতে — পংকথাহে।"

"তেনেহ'লে—উপায় ?"

"মই যি কৰিম — তোমাক নকওঁ ; তুমি কি কৰিবা — তাকো নোসোধোঁ।" প্ৰমোদে কুমুদক ক'লে।

এইদৰে বহুদিন পাৰ হ'ল। এদিন গাঁৱৰ জমিদাৰ মোহনদাস ডাঙৰীয়াৰ পৰিবাৰ টান বেমাৰত পৰিল। সকলোটিয়েই ভাবিলে, জমিদাৰ-পৰিবাৰৰ চাউল টুটিল, কিন্তু অতি কম দিনতে প্ৰাকৃতিকভাবেই জমিদাৰ-পৰিবাৰ ভাল হৈ উঠিল। তেতিয়া জমিদাৰ ডাঙৰীয়াই উছৱৰ আয়োজন কৰিলে, আৰু গাঁৱৰ সমূহ ৰাইজক এই উছৱত যোগ দিবলৈ নিমন্ত্ৰণ কৰিলে, আনকি চুবুৰীয়া গাঁওবিলাকৰ ৰাইজলৈকো আহ্বান জনালে।

কুমুদে ক'লে, "জমিদাৰ ডাঙৰীয়াৰ নিমন্ত্ৰণলৈ নিশ্চয় পা-পৰিয়ালে যাবা, নহয় জানো ?".

"নহয়, অকলেই যাম। নিমন্ত্ৰণ পালোঁ বুলিয়েই যে পা-পৰিয়ালে গৈ হামখাৰ খাই পৰিব লাগিব — তাৰ কোনো অৰ্থ নাই।" প্ৰমোদ ক'লে।

ক্ষন্তেকমানলৈ তাপ মাৰি থকাৰ অন্তত কুমুদে কৈ থাকিল, "হাজাৰ হওক — তুমি চুবুৰীয়া—মিত্ৰ। এতেকে—কিছুমান কথাত মিলি-জুলি চলি থাকিব লাগে, লগে-ভাগে কাম কৰিব লাগে। জমিদাৰ ডাঙৰীয়াৰ উছৱলৈ—পুত্ৰ-পৰিবাৰৰে সৈতে যাম, দুয়ো হাতে খাম—এয়ে মোৰ আন্তৰিক ইচ্ছা। কিন্তু তুমি যদি তোমাৰ পৰিয়াল-পৰিজন সকলোকে লগত লৈ নোযোৱা—তেনেহ'লে আমাৰ ল'ৰা-ছোৱালী-পৰিবাৰকো লৈ যোৱা টান হ'ব, কিয়নো—সিহঁতে তোমালৈ আঙুলিয়াই দেখুৱাব। যি ভাল দেখা কৰিবা।" এই বুলি কৈ কুমুদ দুপদুপাই গুচি গ'ল।

যি কি নহওক — কুমুদ আৰু প্ৰমোদ জমিদাৰৰ উছৱলৈ গ'ল, আৰু অলপ সময়ত অন্তত তাৰপৰা উলটিল, তাত তেতিয়া মানুহৰ—যাক বোলে খদমদম—গতিকে বহুতৰে বহুবিধৰ অসুবিধাও নোহোৱাকৈ

নাছিল। ভিৰৰ মাজত কিছুমানে অচেতনো হৈ পৰিছিল। তেওঁলোকৰ যথাযথ চিকিৎসাৰ বাবে জমিদাৰ ডাঙৰীয়ায়ো যথাযথ ব্যৱস্থা হাতত লৈছিল। যদিও কিছুখিনি বিশৃংখলা নোহোৱাকৈ নাছিল, তথাপি আনন্দ-উছৱ জঁয়-পৰা নাছিল।

যাহওক — কুমুদ আৰু প্ৰমোদে তাত অযথা বৈ নাথাকি গাঁৱলৈ ঘূৰিল, আৰু মাজ নিশামানতে ঘৰলৈ আহিল।

আৰু ঠিক তেতিয়াই কুন্দপুৰত হৈ-চৈ লাগি পৰিছিল। লুটিয়াৰহঁতে এন্ধাৰৰ গাত ভেজা দি গাঁৱত সোমাইছিলহি। সিহঁতে এটা ঘৰত সোমাই চন্দুক ভাঙি পেলাই যেতিয়া একোৱেই নোপোৱা হ'ল, তেতিয়া ঘৰখনৰ ল'ৰা-বুঢ়া সকলোকে পিটি ভৈয়াম কৰা হ'ল।

আৰু তাৰ পাছত — লুটিয়াৰহঁত কুমুদৰ ঘৰলৈ গ'ল আৰু কুমুদৰ ঘৰত থকা চন্দুকত দহ হেজাৰ ৰূপ, আৰু কিছুখিনি সোণৰ অলঙ্কাৰ পাই—কিন্তু কেইখোজমানলৈ আগবাঢ়ি যোৱাৰ লগে লগেই গাঁৱৰ ডেকাল'ৰাহঁতে লুটিয়াৰকেইটাক চাৰিওকালৰপৰা আগুৰি ধৰিলে, আৰু সিহঁতৰ পিঠিত বৰষুণৰ দৰে ঔ পাৰি, গুৰিয়াই বগৰাই পেলাই পোতা-মোচবা দি, কুমুদৰ ঘৰৰপৰা লুট কৰি অনা ধন-সোণখিনি সিহঁতৰপৰা কাঢ়িলৈ কুমুদক তেতিয়াই ওভোতাই দিলে।

প্ৰমোদে কুমুদক ক'লে, "তুমি দেখিছোঁ—বৰ ভাগ্যৱান মানুহ।"

"ভাগ্যৱান নহয়, বুদ্ধিমান।"

কুমুদে গৰ্বৰে অঁসেতে প্ৰমোদক ক'লে।

"বুদ্ধিমান—মানে ? এই ঘটনাত তোমাৰ বুদ্ধিমানীনো কি ? এই ঘটনাত মই দেখোন তোমাৰ বুদ্ধিৰ 'ব'টোও দেখা নাই, যদিও—তোমাৰ ভাগ্যক স্পষ্টৰূপেই দেখা পাইছোঁ।" প্ৰমোদে কুমুদক ক'লে।

প্ৰমোদৰ কথা শুনি ৰংপাই কুমুদে মিঠাকৈ হাঁহি মাৰি ক'লে, "শুনা, মোৰ বুদ্ধিমানী এইখিনিতে যে—তুমি যেতিয়া মোৰ পৰামৰ্শক অলাগতিয়াল বুলি ভাবিছিলা—তেতিয়া মই কিন্তু তোমাৰ প্ৰতিটি দিহা-পৰামৰ্শক্‌ অতি লাগতিয়াল বুলিয়েই ভাবিছিলোঁ, মানিছিলোঁ, সাৰোগত-কৰিছিলোঁ।"

কুমুদৰ সাঁথৰ-সাঁথৰ কথাৰ সাৰকথা উলিয়াব নোৱাৰি ভেবা লাগি প্ৰমোদে আচৰিত মানি কুমুদক সুধিলে, "তাৰ মানে —?

এইবোৰ বেবেৰিবাং কথাৰে বাইলুং কোবাই তুমি কিনো বুজাব খুজিছা মোক—?" কি ক'ব খুজিছা খোলোচা কৈ নোকোৱা কেলেহ ?

কুমুদে প্ৰমোদৰ তিতা-কেঁহা কথাৰে অলপো অপ্ৰতিভ নহৈ মুচুককৰে হাঁহি মাৰি ক'লে, "আচল কথা হ'ল এয়ে যে—তোমাৰ ক্ষেত্ৰত মই এক সম্পূৰ্ণ নতুন পদ্ধতি লৈছিলোঁ যে—সেয়ে আছল মোৰ বুদ্ধিমানী । সেই পদ্ধতিনো কি আছিল —?" কুমুদে ক্ষন্তেক ৰৈ পুনৰ কৈ থাকিল, "সেই পদ্ধতি—সেই নতুন পদ্ধতি আছিল তোমাক নজনোৱাকৈ—তুমি বুজিব নোৱৰাকৈয়েই তোমাৰপৰা দিহা-পৰামৰ্শ লৈছিলোঁ। মই নিজেই সুতৰ কাৰবাৰ কৰিবলৈ মন মেলিছিলোঁ, কিন্তু তুমি নিষেধ কৰিছিলা। মই নিজেই ঘৰ-জোঁৱাই ৰাখিম বুলি ভাবিছিলোঁ, কিন্তু তুমি মানা কৰিলা। লুটিয়াৰৰ কবলৰপৰা অধিকভাগ ধন-সোণ কেনেকৈ ৰক্ষা কৰিব পাৰি—তাকো তুমিয়েই বতাইছিলা । জমিদাৰ ডাঙৰীয়াৰ উছৰলৈ যাওঁতেও তোমাৰ পৰামৰ্শকে মই মানি লৈছিলোঁ । —তুমি কিন্তু সদায় ভাবিছিলা যে মইহে তোমাক উপযাচি পৰামৰ্শ দিছোঁ আৰু যাঁচি-কিল খাইছোঁ । —এতিয়া ভাবি চোৱাঁ, এই পৰামৰ্শ পোৱাৰ নতুন পদ্ধতি উলিয়াই মই বুদ্ধিমানী কৰা নাছিলোঁনে ?"

কুমুদৰ কথাখিনি শুনি আৰু তাৰ গূঢ়াৰ্থ ঠাৱৰি প্ৰমোদৰ মনৰ আমোদে মেলানি মাগিলে । প্ৰমোদৰ মুখখন কিঞ্চিত শেঁতা পৰিল।

কেইক্ষন্তেকমানলৈ তাপ মাৰি থকাৰ অন্তত প্ৰমোদে নিজক চম্ভালি লৈ ক'লে, "নিজৰ বুদ্ধিৰ ওপৰত মোৰ বৰ বেছি আস্থা থকাত জ্ঞানৰ সকলো দুৱাৰ বোধকৰোঁ বন্ধ হৈ পৰিছিল । মই তোমাকেই জীৱনৰ পাঠ পানী পানী কৰি শিকাম বুলি ভাবিছিলোঁ । এতিয়া দেখিছোঁ—পুঠিমাছৰ চৰ্চৰিয়েই সাৰ হ'ল। যি কি নহওক—এতিয়াৰপৰা আমি পৰস্পৰে পৰস্পৰক পা-পৰামৰ্শৰে মাদায়েই সহায় কৰিম, আৰু জীৱনক পুঠিমাছৰ চৰ্চৰি কৰি নুতুলিম — এই শপত মই নিজে নিজেই খালোঁ।"

এই ঘটনাৰ পাছৰপৰা কুমুদ আৰু প্ৰমোদৰ মাজত থকা বন্ধুত্ব প্ৰগাঢ় হৈছিল আৰু উভয়েই ভেম এৰি প্ৰেমৰে জীৱন যাপিছিল।

ঘোঁৰা-শিঙৰ কৰিয়া

ভূতাপদেশত অনীতি-দুৰ্নীতিয়ে সমাজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে শিপা মেলি দিলে। সকলো ৰাজকৰ্মচাৰী ঘোচখোৰ হৈ পৰিল। পৰিস্থিতি এনেকুৱা হৈ উঠিল যে—কি ডাঙৰ কি সামাইন—কোনো কামেই ঘোচ-ঘাচলি নিদিয়াকৈ—নহয়।

মহাৰাজে মহামন্ত্ৰীক ক'লে, "যি উপায়েৰেই নহওক—দেশৰপৰা এই ঘোচ-ৰাক্ষসীক খেদিব লাগে। এই কাৰ্য্যৰ বাবে আপোনাক এপষলৈ সময় দিয়া হ'ল।"

মহামন্ত্ৰী যেনিবা খালত পাৰিল। এপষ—পোন্ধৰটি দিন মাথোন! বছৰ-বছৰ ধৰি শিপোৱা ঘোচখোৰীক পুলিয়ে-পোখাই উভালিবলৈ এপষ—সময় হ'লনে?

মহামন্ত্ৰীৰপৰা বিবৰণ শুনি ডাঙৰ ডাঙৰ বিষয়াসৰে লগে লগে একেলগে কৈ উঠিল: কি! ভূতাপদেশত ঘোচখোৰী! এপষ নালাগে, আমি এদিনতে খেদিম, তেহে ৰ'ম।

কিন্তু তেওঁলোকেই যে ঘোচৰ ঘাই—সৰিয়হতেই যে আচল ভূত—মহামন্ত্ৰীয়ে এই সূৰ্য্য-সত্য কথাষাৰ নজনাকৈ নাছিল। এতেকে—এওঁলোকৰ ডাম্ফিমৰা কথাৰে মহামন্ত্ৰী ধানমানো আশান্বিত নহ'ল। আৰু ৰজাই দিয়া এপষীয়া পদাপাল দেখি থকা হ'ল।

ঘৰ পায়ো মহামন্ত্ৰী আচ্ছন্নৰ দৰে বিষণ্ণ হৈ থাকিল। তেঁও যেনিবা চিন্তাৰ সাগৰত ডুব গ'ল। তেওঁৰ অৱস্থালৈ চাই পত্নী মালবিকাই সুধিলে যে তেওঁৰ ইমান চিন্তাৰ হেতু কি।

ৰাজকীয় সকলো কথা যে পত্নীক ক'ব নাপায় — সেই সুশিক্ষা মহামন্ত্ৰীৰ নথকা নাছিল; কিন্তু এই কথাখিনি তেওঁ পত্নীক ক'লে। কোৱাৰ অন্তত মন্তব্য কৰিলে, "দেশত দুৰ্নীতিয়ে ইমানেই শিপাইছে যে—দুৰ্নীতিকেই এতিয়া প্ৰজাই নীতি বুলি ভাবিছে। আৰু—যিবোৰ ডাঙৰ ডাঙৰ ৰাজ-বিষয়াই দেশৰপৰা

চাকি চৌধাৰী

দুৰ্নীতিক তথা ঘোচখোৰীক খেদিব বুলি কৈছে—সেইবোৰে প্ৰকৃতপক্ষে টোটক-নাটকহে কৰিছে। কিন্তু মোৰ ওপৰত মহাৰাজে যি দায়িত্ব জাপি দিছে —"

মন্ত্ৰী-পত্নী মালবিকাই গিৰিয়েকক ৰখাই কৈ উঠিল, "এই সামন্যা কথাত ইমান দুশ্চিন্তিত হ'ব নালাগে। শুনক—" এই বুলি কৈ, মন্ত্ৰী-পত্নীয়ে একেবাৰে শুন-নুশুনকৈ কিছুখিনি কথা মহামন্ত্ৰীক ক'লে।

আৰু—আন উপায় নেদেখি-নাপাই—মহামন্ত্ৰীয়ে পত্নীয়ে কোৱা উপায়কে অপায় দূৰ কৰাৰ উপায় হিচাপে ল'লে।

এপষ অন্ত হোৱাৰ দুটা দিনৰ অন্তত মহাৰাজে মহামন্ত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰি ক'লে, "আপুনি এপষতে এটকা মহন্তৰ শপতৰ দৰে এই দুৰূহ কাৰ্য্য কৰি-ধৰি দেখুৱাব পাৰিব বুলি মই কল্পনাও কৰিব পৰা নাছিলোঁ। আপুনি দেশৰপৰা ঘোচ-ৰাক্ষসীক দূৰতে বিদূৰ কৰিলে, দুৰ্নীতি-অনীতিৰ মূলোচ্ছেদ কৰিলে—এই কাৰণে আপোনাক মই 'দেশ-ৰত্ন' উপাধিৰে ভূষিত কৰিম।"

মহামন্ত্ৰী আনন্দিত মনেৰে ঘৰলৈ উভতি আহিল। তেওঁ তেওঁৰ পত্নীক ক'লে, "তোমাৰ পৰামৰ্শৰ বিনে মই কোনো উপায় নোপোৱা হৈছিলোঁ। ধন্যবাদ জনাই তোমাক মই সৰু নকৰোঁ। তোমাৰ সজ পৰামৰ্শমতে চোৰাংচোৱাহঁতৰ মাজত কিছুমানক আৰু চোৰাংচোৱা-প্ৰধানকো জোখে-জোখাৰে ভেটি-ভাৰ দি মহাৰাজৰ কাণত সুখ-সম্বাদ পৰাৰ বন্দৱস্ত মই সুকলমেই কৰিব পাৰিছিলোঁ বুলিহে মই এইবাৰলৈ মহাৰাজৰ কোপাগ্নিৰপৰা সাৰিলোঁ। নহ'লে—এপষ কিয়—এশতিকাতো এই কাম কৰিব নোৱাৰিলোহেঁতেন। এতিয়া মহাৰাজে জানিলে যে—ৰাতিটোৰ ভিতৰতে জাতিটোৰ জাতি-মহত ফিৰি আহিল, অনীতি-দুৰ্নীতি সুনীতিলৈ পৰ্য্যৱসিত হ'ল, ঘোচখোৰীয়ে ঘেকেটা খালে। আচলতে-ময়ো যে ঘোচখোৰীকে সাৰোগত কৰি আজিৰ দিনৰ নিয়ম বুলি মানি লৈ স্তৰে স্তৰে ঘোচ খুৱাই মহাৰাজক চুকুকাবৰ বন্দৱস্ত কৰিলোঁ—সেইটি কথাহে মহাৰাজৰ জানিবলৈ বাকী—যে সমাজমনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই পৰা ঘোচামৰ জৰী হেন ঘোচ—ঘোঁৰা শিঙৰ কৰিয়া!"



সম্ৰাট অশোক

আগৰ কথা : তক্ষশিলাৰ ৰাজদ্ৰোহ এদিনতে দমন কৰাৰ অন্তত যুৱৰাজ অশোক যেতিয়া পুনৰ পাটলিপুত্ৰলৈ উভতি আহিল, তেতিয়া সুশেম ৰঙা-কলা তিনি-বৰণীয়া হৈ পৰিল। তাৰ পাছত বিজয়ী অশোকলৈ স্বয়ং মহাৰাজে আৰু মগধৰ সৰ্বোচ্চ ৰাজকৰ্মচাৰী সকলে ৰাজহুৱাকৈ অভিনন্দন জ্ঞাপন কৰাৰ কথা শুনি সাতঘাটৰ চেঙেলী জ্যেষ্ঠ যুৱৰাজ সুশেমে অশোকক সুকৌশলেৰে'ধৰোঁমাছ নোছোওঁ পানী'ৰ কৌশলেৰে হত্যা কৰিবলৈ আঁচনি পাঙিছিল। কিন্তু অশোক কাণে কাণ মাৰি সাৰিব পাৰিছিল। আৰু তাৰ পাছত....

৬

মহামন্ত্ৰী ভল্লাটকৰ মুখে মহাৰাজ বিন্দুসাৰে পাটলিপুত্ৰৰ উপকণ্ঠত ঘটা দুৰ্ঘটনাৰ বিবৰণ জ্ঞাত হ'ল। মহাৰাজে অবাক মানি ক'লে, "কেনেকৈকেনো হঠাৎ—আজিয়েই এনেহেন দুৰ্ঘটনা ঘটিল ? এয়া সঁচাকেয়েই হঠাৎ-ঘটা প্ৰাকৃতিক ঘটনানে ? অশোক নিৰাপদে আছিনে ? কিন্তু—এই দুৰ্ঘটনা নিশ্চয় প্ৰাকৃতিক নহয়, মনুষ্য-সৃষ্ট। গতিকে আঁৰ-কাপোৰৰ আঁৰত কোন —আঁৰ-পটৰ পিছে কোন— সেই কথা এহিক্ষণতে বিচাৰি উলিয়াৰ লাগে।

মহামন্ত্ৰীয়ে ক'লে, "সেই মথাউৰিৰপৰা চটাচটে শিল বগৰাই পেলোৱহঁতৰ মাজত কিছুমানক বন্দী কৰা হ'ল আৰু আমাৰ প্ৰধান নগৰপালে সিহঁতৰপৰ। ঘটনাৰ ঘাইকথাৰ কৈফিয়ৎ তলপ কৰা হ'ল। নগৰপাল যেইসেই সময়ত ইয়ালৈ আহিব বুলি আশা কৰা হৈছে।"

মহামন্ত্ৰীৰ কথা শুনি মহাৰাজ মৌন হৈ

'আঁৰ-পটৰ আঁৰত কোন'



থাকিল। আৰু তাত তেতিয়া বিষণ্ণতা আৰু অভাৱিত নৈঃশব্দ বিয়পি পৰিল।

আৰু ঠিক তেতিয়াই প্ৰধান নগৰপাল তালৈ সোমাই আহিল।

নগৰপালে যথোচিতভাৱে মহাৰাজলৈ আৰু তাৰ পাছত মহামন্ত্ৰীলৈকো অভিবাদন জ্ঞাপন কৰি বিধিসম্মতভাৱে দণ্ডৱৎ হৈ থাকিল।

মহাৰাজ বিন্দুসাৰে নগৰপালক সুধিলে, "আপোনাৰ অনুসন্ধান-কাৰ্য্য সমাপ্ত হ'লনে —?"

নগৰপালে ধীৰ কণ্ঠেৰে ক'লে, "হয়, মহাৰাজ।"

মহাৰাজে সুধিলে, "এই দুৰ্ঘটনা— অকস্মাৎ ঘটা প্ৰাকৃতিক দুৰ্ঘটনানে ?"

"নহয়, মহাৰাজ ! জানি-বুজি সময়ৰ হিচাপ কৰিয়েই কিছুমানে এই ঘটনা ঘটালে। এই ঘটনাৰ আঁৰত যে গুপ্ত ষড়যন্ত্ৰ বিদ্যমান— সেই কথা ধ্ৰুৱ। শত্ৰুহঁতে অতি নিপুণতাৰে এই পৰিকল্পিত ঘটনাক হঠাৎ ঘটা প্ৰাকৃতিক দুৰ্ঘটনাৰ ৰূপ দিয়াইছিল।" নগৰপালে নাড়ী পখাল দিলে।

"কিন্তু সেই ঠাইত—সেই উপকণ্ঠত— আমাৰ কিছুমান দল-নায়কে কটকটীয়াকৈ পৰ দি ৰৈ থকা নাছিলনে ? তেওঁলোকৰ চকুত বালি মাৰি ষড়যন্ত্ৰী শত্ৰুহঁতে কেনেকৈনো এনেহেন ভয়ানক ঘটনা ঘটালে ?" মহাৰাজ বিন্দুসাৰে বিভ্ৰান্তৰ দৰে সুধিলে।

ক্ষণমাত্ৰ দোধোৰ-মোৰত পৰা যেন হৈ নগৰপালে মহাৰাজক ক'লে, "মহাৰাজ— আমাৰ এজন দলনায়কে এই ষড়যন্ত্ৰী শত্ৰুহঁতলৈ সহায়-সাৰথি আগবঢ়োৱাৰ অকাট্য প্ৰমাণ উলিয়াব পৰা হৈছে। তাৰ সহযোগিতাৰেই এই ভয়াবহ ঘটনা ঘটিল।"

"ইমান দুঃসাহস !" স্তম্ভিত-বিপৰ্য্যস্ত যেনেহে পৰা মহাৰাজে কৈ উঠিল, "আমাৰেই সৈন্য-বাহিনীৰ দলনায়ক এজনে এনে ঘৃণিত কাৰ্য্য কৰিলে!—এয়া দেখ দেখ ৰাজদ্ৰোহ!"

"মৌৰ্য্য-সিংহাসনৰ অগ্ৰণী উত্তৰাধিকাৰী এগৰাকীয়ে যেতিয়া কোনোবা দলনায়কক প্ৰৰোচনাৰে লোভাতুৰ কৰি তোলে, তেতিয়া দুৰ্বলমনা সামান্য দলনায়ক এজন বিভ্ৰান্তিত পৰাত কিমান পৰ ?"

নগৰপালৰ কথাৰ উত্তৰত মহাৰাজে কৈ উঠিল, "তুমি—তুমি যি ইংগিত কৰিছা— তাৰ স্পষ্ট অৰ্থলৈ মন কৰিছানে ?"

"মহাৰাজ, মোক ক্ষমা কৰক। মোৰ ন্যায়ানুসন্ধানৰ যোগেদি মই যি জ্ঞাত হৈছোঁ, তাৰ সাৰকথা জ্ঞাপন কৰাটো মোৰ প্ৰাথমিক কৰ্তব্য বুলি ভাবোঁ। সত্যৰ বাহিৰে সাজি-কথা কোৱাৰ সাহস মোৰ নাই।" নগৰপালে দৃঢ় কিন্তু ধীৰ মাতেৰে ক'লে।

কেইমুহূৰ্তমানলৈ তাত নিস্তব্ধতাৰ আঁৰপট নামি আহিল। তাৰ পাছত নৈঃশব্দ ভংগ কৰি মহাৰাজে নগৰপালক ক'লে, "তোমাৰ কথাত মোৰ পূৰ্ণ বিশ্বাস হৈছে। তুমি যে জানিও মোৰপৰা সত্য লুকোৱা নাই, পোনে-গুঁছিয়ে ডুব মৰা নাই, তাৰ বাবে, আৰু তোমাত থকা প্ৰকৃত ৰাজভক্তিৰ বাবে তোমালৈ মই শলাগৰ শৰাই আগ বঢ়াইছোঁ।"

"এই বিসোৱাদ বিষম সম্বাদ আপোনালৈ কঢ়িয়াই আনিবলৈ মই যে কিমান বেদনাগধুৰ হৈছোঁ, কেৱল ঈশ্বৰেহে জানিব। মই নিজৰ কলিজাক শিলহেন কঠিন কৰিহে আপোনাৰ সমীপস্থ হৈছোঁহি। নগৰপালে দুখৰে সৈতে মহাৰাজক ক'লে।

ইমানপৰে মনে মনে থকা মহামন্ত্ৰীয়ে নগৰপালক ক'লে, "নিজৰ কলিজাক আৰু লৌহ-কঠিন কৰি তুলিব লাগিব—এই সময় সন্নিকট। নিজ দেশৰ কাৰণে, নিজৰ দেশৰ মহাৰাজৰ কাৰণে, ৰাজ-পৰিয়ালৰ কৰণে এই কথা গুপ্ত ৰাখিব লাগিব। বন্দী শত্ৰুহঁতৰ কথা, বিশ্বাসঘাতী দল-নায়কৰ কথা, ষড়যন্ত্ৰৰ কথা, যত কুটৰ ঘাইৰ কথা—কোনো কথায়েই কাকপক্ষীয়েও জানিব নালাগিব। এনেকুৱা কিবা ঘটনা ঘটিল বুলি আকাৰে-প্ৰকাৰেও ওলাব নালাগিব।" মহামন্ত্ৰীয়ে মহাৰাজলৈ চালে আৰু ক'লে, "আশা কৰোঁ — মোৰ কথাত মহাৰাজো সহমত।"

"মহামন্ত্ৰীৰ বিবেক-বিবেচনালৈ মই সদায় সশ্ৰদ্ধ।" মহাৰাজে ক'লে।

নগৰপালে সৰু সৰুকৈ মহামন্ত্ৰীক ক'লে, "বন্দী ষড়যন্ত্ৰীহঁতৰ সংখ্যা—এশতকৈয়ো অধিক। গতিকে—ইমান ষড়যন্ত্ৰীৰ মুখত সোপা দিয়াটো —"

"সোপা দিব নোৱাৰিলে জৰীত ওলোমাই দিয়া। কালিলৈ বেলি ওলোৱাৰ আগতেই এই কাম হৈ যাব লাগে। এইবোৰ হ'ল দেশদ্ৰোহী-ৰাজদ্ৰোহী—তক্ষশিলাৰ ৰাজদ্ৰোহী—এইবোৰে যুৱৰাজ অশোকক বধ কৰিবলৈ আহিছিল—বুলি কোৱা হ'ব।" মহামন্ত্ৰীয়ে

আদেশৰ ভংগীৰে নগৰপালক ক'লে।

"আপোনাৰ নিৰ্ণয় সঠিকেই, তথাপি" নগৰপালে কথাষাৰ শেষ কৰিবলৈ নৌপাওঁতেই মহামন্ত্ৰীয়ে কৈ উঠিল, "আপোন দেশক ৰক্ষা কৰিবলৈ শত্ৰুক বিনাশ কৰিবলৈকো দোধোৰ-মোৰত পৰিছানে? যুদ্ধক্ষেত্ৰত হাজাৰ-বিজাৰ শত্ৰুসৈন্যক বধ কৰা নহয়নে? এই সিয়ানহঁত কিন্তু শত্ৰুসৈন্যতকৈয়ো জঘন্য। — তেনেহ'লেনো কিহলৈ দ্বিধা? কি কাৰণে— কিনো অজ্ঞাত কাৰণে এই দ্বিধা?"

"মই কোনো অৱস্থাতে হোঁহকা দিয়াত নাই —।" নগৰপালে দৃঢ়তাৰে ক'লে।

"সুশেম আৰু অশোকৰ মাজত যে অৰিয়া-অৰি আছে—ইজনে-সিজনক ঘৃণা কৰে যে —এই কথা জনা কথা। কিন্তু যদিহে এই কথা ব্যাপকভাবে সদৰি হৈ পৰে—দেশ-সাম্ৰাজ্য বিচ্ছিন্ন হৈ পৰিবৰ সম্ভাৱনা প্ৰবল। গতিকে— বন্দী ষড়যন্ত্ৰীহঁতক বধ নকৰি এৰি দিয়া হয় যদি—সিহঁতেই এইবোৰ কথা সাম্ৰাজ্যৰ চুকে-কোণে প্ৰচাৰ কৰিব।" মহামন্ত্ৰীয়ে ক'লে।

নগৰপালে ক'লে, "আপোনাৰ কথা অভ্ৰান্ত।"

মহাৰাজ বিন্দুসাৰে আদেশ প্ৰদানিলে, "মাজনিশাৰ পৰতে বিনা প্ৰশ্নে ৰাজাদেশ পালিত হওক।"

যথোচিত অভিবাদনান্তে নগৰপাল গুচি গ'ল। নগৰপাল ৰাজপ্ৰাসাদৰ চৌহদ পাৰ হ'বলৈ নৌপাওঁতেই সুশেমে নগৰপালক লগ কৰি সুধিলে, "মই শুনিলোঁ যে—দুৰ্ঘটনা ঘটাই অশোকক হত্যা কৰাৰ ষড়যন্ত্ৰত ময়ো জড়িত বুলি বন্দী দল-নায়কে কৈছে। এই কথাষাৰ সঁচানে?"

নগৰপালে উত্তৰ দিলে, "ওঁ, সঁচা। দল-নায়কে ইয়াকে কৈছে।"



"মিছা কথা!" সুশেমে প্ৰায় চিঞৰি উঠি ক'লে, "এইবোৰ গোকাট মিছা! এই মিছলীয়াই মৃত্যুদণ্ড পাব লাগে।"

যুৱৰাজ সুশেমৰ এই কথাত নগৰপালে কোনো মন্তব্য নকৰিলে। এই ভণ্ড-কপটীয়েই যে আগলৈ মগধৰ সিংহাসন অধিকাৰ কৰিব—সেই কথা ভাবি নগৰপাল বিচলিত যেন হৈ পৰিছিল।

সুশেমে পুনৰ সুধিলে, "দল-নায়কৰ কথা যে দেখ দেখ মিছাকথা—মহাৰাজে সেই সঁচাৰো সঁচা কথাটো বুজি পাইছেনে?"

"দল-নায়কে কোৱাখিনি মহাৰাজক কোৱাটো মই মোৰ কৰ্তব্য বুলি ভাবোঁ। কিন্তু মহাৰাজৰ মনোভাব জনাটো মোৰ কৰ্তব্য নহয়।" নগৰপালে ক'লে।

"চোৱাঁ, মহাৰাজে দল-নায়কৰ কথা সঁচা বুলি মানি লৈছিলনে? বিশ্বাস কৰিছিলনে?" সুশেমে আগ্ৰহৰে সুধিলে।

"এই বিষয়ত মই একোৱেই ক'ব নোৱাৰিম।"

"এতিয়া কোৱাঁ, ঘটনাৰ কথাশুনি মহাৰাজে কি ক'লে?"

সুশেমৰ প্ৰশ্নৰ উত্তৰত নগৰপালে ক'লে, "সেই কথাও ক'ব নোৱাৰিম। পিছে—এটা কথা ক'ব পাৰোঁ যে—সেই দল-নায়ক আৰু তাৰ লগৰবিলাককো—"

ইমানলৈকে কৈ ৰৈ দিয়াত অধৈৰ্য্য সুশেমে নগৰপাললৈ ৰঙাচকুৰে চাই সুধিলে, "কি?"

"মৌত কে ঘাট উতাৰা জায়েগা—যমৰ আলহী কৰা হব।" নগৰপালে ক'লে।

"বহৌত — আচ্ছা!" সুশেমে ৰঙতে হাত-চাপৰি দিলে, "মহাৰাজে সঠিক নিৰ্ণয় লৈছে। চোৱাঁ, ময়ো এই ৰায় দিছিলোঁ।"

সেনাধিপতি মহাৰাজৰ ওচৰলৈ গৈ

আছিল। সুশেমে সেনাধিপতিক অভিবাদন জনালে।

নগৰপালে সেনাধিপতিক যথোচিত অভিবাদনান্তে ক'লে, "মই আপোনাৰ ওচৰলৈ গৈ আছিলোঁ।"

"ইয়াতে ৰৈ থাকা, মই এতিয়াই ঘূৰিম —।" এই বুলি কৈ সেনাধিপতি আগ বাঢ়িল।

"শুনিলোঁ—মহাৰাজে আপোনাক, আৰু মোকো একেলগে তেওঁৰ ওচৰলৈ যাবলৈ কৈছে।" এই বুলি কৈ কৈ সুশেম সেনাধিপতিৰ পিছে পিছে গৈ থাকিল।

মহাৰাজে সেনাধিপতিৰ সৈতে সুশেমকো দেখা পাই সেনাধিপতিলৈ চাই ক'লে, "আপোনাৰ সৈতে তাকো লৈ অহাত ভালেই পাইছোঁ। অনুগ্ৰহ কৰি বহক।"

মহামন্ত্ৰী, সেনাধিপতি, আৰু সুশেমো বহিল, মহাৰাজে সুশেমলৈ চালে, আৰু ক'লে, "পুত্ৰ, মই যি শুনিলোঁ—বিশ্বাস কৰিবলৈকো টান পাইছোঁ।"

"আপুনি কি শুনিলে—মই নজানো।" নিলাজ সুশেমে নিৰ্লিপ্ত মুখেৰে ক'লে।

"তোমাৰ মুখৰপৰা এইমাত্ৰে ওলোৱা কথাষাৰো মই বিশ্বাস কৰিবলৈ টান পাইছোঁ। কিয়নো—মই জানো, মই তোমাৰ বিষয়ে যি শুনিলোঁ—তুমিও উত্তমৰূপে জানিছা। মই সেই কথা ইয়াত দুনাই উল্লেখ নকৰোঁ। সময়েই সকলো কথা কৈ দিব আৰু সেই বিষয়ে যি কৰ্তব্য তাকো এদিনৰ ভিতৰতে কৰা হ'ব। এতেকে-এতিয়া আমি এতিয়াৰ কথা আলচিম। মহামন্ত্ৰী আৰু সেনাধিপতিৰ অভিপ্ৰায় হ'ল আমাৰ সাম্ৰাজ্য-সীমাস্থিত অৱন্তীৰাজ্যৰ ৰাজধানী উজ্জয়িনীলৈ ৰাজ-প্ৰতিনিধি হিচাপে কোনোবা এজন যুৱৰাজক প্ৰেৰণ কৰা হওক। এই পদৰ যোগ্য—কেৱল তুমি—আৰু অশোক। আন কোনো এই পদৰ অৰ্হতা সম্পন্ন নাই। আৰু—আৰু এটি বিশেষ কথা আছে—মনপুতি শুনিবা। আমাৰ সম্মিলিত মত হ'ল এয়ে যে—যিমানদিনলৈ তোমাৰ আৰু অশোকৰ মাজত থকা অৰিয়া-অৰি নাতঁৰিব, শত্ৰুতাৰ অন্ত নপৰিব, তোমালোকৰ পক্ষে বিচ্ছিন্ন হৈ থকাটো—আঁতৰি থকা ভালেই হ'ব। তোমালোকৰ এই বিচ্ছিন্নতা—দেশৰ পক্ষে, ৰাজ-পৰিয়ালৰ পক্ষে শ্ৰেয়স্কৰ হ'ব।"

শুনি—সুশেম নিমাত হৈ থাকিল।

মহাৰাজে সুশেমক সুধিলে, "তুমি উজ্জয়িনীলৈ যাবানে ?"

সুশেমে ক'লে, "মই ইয়াতে থাকিম।"

"তুমি জ্যেষ্ঠপুত্ৰ, এতেকে—তোমাকে নিৰ্ণয় লোৱাৰ অধিকাৰ প্ৰদান কৰা হ'ল। অশোকেই তেন্তে উজ্জয়িনীলৈ যাওক। অশোকে মোৰ আজ্ঞা নিশ্চয় মান্য কৰিব। বাৰ, তুমি এতিয়া যাব পাৰা।" মহাৰাজে নিৰ্লিপ্ত ভংগীৰে ক'লে।

সুশেম উঠি থিয় হ'ল। সুশেমে এই কথাত অতিপাত বেয়া পালে যে—তাৰ পিতাশ্ৰীয়ে তাক যুৱৰাজ হিচাপে নগণি কেৱল জ্যেষ্ঠপুত্ৰ হিচাপেহে গণ্য কৰিছে।

সুশেম তাৰপৰা গুমাই গুচি গ'ল।

"দয়া কৰক—দয়া কৰক—" বন্দী দল-নায়কে ব্যগ্ৰতাৰে বন্দীশালৰ ঘাই পৰীয়া নগৰপালক কৈ থাকিল, "মাত্ৰ এবাৰলৈ মোক যুৱৰাজৰ সুশেমৰ সৈতে কথা পাতিবলৈ দিয়ক। এই পৰিস্থিতিত কেৱল তেওঁহে মোৰ প্ৰাণৰক্ষা কৰিব পাৰিব। মই কোনো পাপ—কোনোবিধৰ অন্যায় নাই কৰা। মই যুৱৰাজৰ আদেশ পালিছিলোঁ মাথোন—মোলৈ দয়া কৰক—কৰকেই দয়া—" এই বুলি কৈ কৈ বন্দী দল-নায়কে কান্দি কান্দি নগৰপালৰ ভৰিত দীঘল দি পৰিল।

তাৰ দুখৰ কাহিনী শুনি শুনি নগৰপালে আমনি পাইছিল। নগৰপালে কৈছিল, "সেইজন যুৱৰাজেই দেখোন তোমালৈ মৃত্যুদণ্ড বিহিলে! তোমাৰ জীৱনৰ চাউল টুটি আহিছে। এই সময়ত তোমাক মিছা কথাৰে দুখ দিয়াৰ মোৰ কোনো আৱশ্যকতা নাই।"

"কি ক'লে!" দলনায়কে ডেডাউৰি পাৰি কান্দি উঠিল, "যুৱৰাজ সুশেমেই হেনে মোলৈ মৃত্যুদণ্ড বিহিলে!"

"যুৱৰাজৰ বক্তব্য হ'ল যে—তুমিয়েই হেনো এই ঘৃণনীয় ষড়যন্ত্ৰৰ সৈতে তেওঁক সাঙুৰি লৈছিল।" নগৰপালে ক'লে।

"হে ঈশ্বৰ! কিমান যে অন্যায় কথা! সুশেমৰ সৰ্বনাশ হওক। মোৰ যি হ'ল—সলি-সিয়ান সুশেমৰো সেয়ে হওক!"

এই বুলি কৈ কৈ বাইলুং কোবাই থাকোঁতেই সেই দুষ্ট দল-নায়কৰ ডিঙিত চোকৰ তৰোৱালৰ ঘাপ পৰিল। [আগলৈ



কাচ আৰু কাঞ্চন

তথাপি ৰজা বিক্ৰমাদিত্য নদমিল। বিক্ৰমাদিত্য ৰজাই পুনৰ সেই মৃতদেহটো গছৰ ডালৰপৰা নমাই আনি কান্ধত কঢ়িয়াই লৈ নিৰৱে-নিমাতে নিজম-নিস্তব্ধ নিমাওমাও এন্ধাৰ পথাৰভেদি কিনিকিনি বৰষুণৰ মাজেদি মৃতাত্মা বিলাকৰ দীৰ্ঘশ্বাগধুৰ মৰিশালিলৈ বুলি গৈ থাকিল। আৰু ঠিক তেতিয়াই হঠাৎ বিক্ৰমাদিত্যৰ কান্ধৰ ওপৰত থকা মৃতদেহটো লৰিচৰি উঠিল, আৰু সেই মৃতদেহৰ ভিতৰত থকা বেতালে কৈ থাকিল : হে ৰজা বিক্ৰমাদিত্য, তুমি নিশ্চয় ডাঙৰ—অতি ডাঙৰ কোনোবা হোৱাৰ মনেৰে এনে অকল্পনীয় ধৈৰয ধৰি দুখ-কষ্টক বৰি যুগ যুগ সুখ বিসৰ্জি অপাৰ অপায় সহি আছা। কিন্তু কিবা প্ৰকাৰে ডাঙৰ মানস্তা-গণস্তা হ'লেই যে সকলো দায় নিছিগে— উলুৱাল গুলালৰ কাহিনীয়ে কিজানি তোমাক জ্ঞন দিব পাৰিব।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে :

বেতাল-কথা

গুলালৰ জীৱন গু-জীৱন নহয়। গুলালক মধুপুৰ গাঁৱৰ ল'ৰা-বুঢ়া ডেকা-ডেকেৰী— চবেই ভাল পায়, ভাল মানুহ বুলি শলাগ লয়।

গুলালৰ মনত আশাৰ হেন্দোলনি ; সি ডাঙৰৰো ডাঙৰ মানুহ হ'ব, আনকি ডাঙৰসকলেও তাক ডাঙৰীয়া বুলি ক'ব, ধনে-মানে হ'ব গণ্যজন, আৰু জ্ঞানে-গুণে হ'ব অতুলন।

কিন্তু—হঠাৎ গুলালৰ ধাৰণা হ'ল যে— গাঁৱৰ ৰাইজে তাক ভাল বুলিলেও জ্ঞানী-গুণী কিন্তু নোবোলে। —কিয় নোবোলে ? সি জ্ঞানী নহয়নে কি ? ভাবিলে সি : আচলতে মোৰ জ্ঞানৰ উমান ল'বলৈ গাঁৱত কোনো জ্ঞানী নাই। কিন্তু তথাপি তাৰ নিজৰ জ্ঞানৰ তথা পাণ্ডিত্যৰ থাউনি পোৱাৰ তথা লোৱাৰ বাবে গাঁৱৰে জ্ঞানী বুলি জনাজাত গোপালৰ জ্ঞানৰ পৰীক্ষা ল'লে আৰু তাৰ পাছত ক'লে, "বোপা, তোমাৰ মাজত পাণ্ডিত্যৰ কোনো লা-লক্ষণ দেখা নাই ; যদিও—তুমি মধুৰ কণ্ঠৰ অধিকাৰী। মোৰ পৰামৰ্শ যদি তোমাৰ মনে-খোৱা হয়, তেনেহ'লে — তুমি ত্ৰিপুৰপুৰলৈ গৈ ৰাগেশ্বৰ গুৰুৰ ওচৰত সংগীত শিক্ষা কৰিলেহে ভাল।"

গুলাল ত্ৰিপুৰপুৰলৈ গ'ল আৰু ৰাগেশ্বৰ গুৰুৰ শিষ্য হৈ সংগীত-শিক্ষাত লাগিল। কিন্তু কিছুদিনৰ অন্তত গুৰুৱে গুলালক ক'লে "শিষ্য, সংগীত তোমাৰ নহ'ব যেন পাওঁ। পিছে—তোমাৰ হাতৰ আঙুলিবোৰ চাই— তুমি চিত্ৰকাৰ হ'ব পাৰিবা বুলি বোধ হৈছে তুমি বিচিত্ৰনগৰৰ বিখ্যাত চিত্ৰকাৰ সুৰেশ্বৰ ওচৰলৈ গৈ চিত্ৰাংকণ-শিক্ষা কৰাগৈ। — তোমাৰ ভাল হ'ব।"

কিন্তু কিছুদিনলৈ চিত্ৰশিক্ষাৰ পাঠ লোৱাৰ পাছত সুৰেশ্বৰ চিত্ৰকাৰে গুলালক ক'লে, "মিত্ৰ, ভাল চিত্ৰকাৰ হ'বলৈ হ'লে কিঞ্চিত পাণ্ডিত্যৰ প্ৰয়োজন আছে। তুমি মধুপুৰৰ গোপাল শৰ্মাশাস্ত্ৰী দেউৰ শিষ্য হৈ কিঞ্চিত পাণ্ডিত্য আৰ্জি লোৱা, তাৰ পাছত যি মন যায় কৰিবা, যি বাটে যাবা বুলি ভাবিবা যাবা, মনে খনা পুখুৰীত পানী খাবলৈ পাবা।"

চিত্ৰকাৰ সুৰেশ্বৰ কথা শুনি গুলালৰ বোধ হ'ল—যেনিবা সি এটা গিৰি নোহোৱা গৰু। সি সুৰেশ্বৰ কথাৰ উত্তৰ নিদিয়াকৈয়েই খোজ বঢ়ালে, আৰু গৈ গৈ নিৰাশ-হতাশ হৈ, গাঁৱৰ সীমাৰ ওচৰ পালে। আৰু ঠিক তেতিয়াই

কোনোবা এঠাইৰপৰা 'বচোৱা—বচোৱা ! ৰক্ষা কৰা—ৰক্ষা কৰা !' বুলি আৰ্তনাদ শুনি ৰৈ দিলে আৰু বিবুধ-বিভ্ৰান্ত হৈ ইফালে-সিফালে চাবলৈ ধৰিলে।

তাৰ পাছত যেতিয়া পুনৰ সেই আৰ্তনাদ উঠিল, তেতিয়া সেই আৰ্তনাদ যিফালৰপৰা শুনা গৈছিল, সেই ফাললৈ গৈ গৈ এটা গভীৰ গাঁত আৰু গাঁতটোৰ ভিতৰত এজন মানুহক দেখা পালে। এই মানুহজনেই আৰ্তনাদ কৰি আছিল।

"মই তোমাক উঠাই অনিম, ভয় নকৰিবা —"

এই বুলি কৈ গুলালে তাৰ সোঁহাতখন গাঁতৰ ভিতৰলৈ সুমুৱাই দিলে, কিন্তু গাঁতত থকা মানুহজনে গুলালে বঢ়াই দিয়া হাতখন বহু চেষ্টাৰেও ধৰিব নোৱাৰিলে।

তেতিয়া গুলালে মানুহজনক ক'লে, "যেনেকৈ আছে—তেনেকৈ থাকক। ভয় নকৰিব। মই চাওঁ ক'ৰবাত এডাল জৰী, বা গছৰ ঠাৰি পাওঁনে কি। আপোনাক মই গাঁতৰপৰা উঠামেই। চিন্তা নকৰক।"

"তোমাৰ এই কথায়েই মোৰ পক্ষে যথেষ্ট। জৰী-ঠাৰি একো নালাগে।" এই বুলি কৈ কৈ মানুহজন নিজে নিজেই গাঁতৰপৰা উঠি আহিল, আৰু অতি আচৰিত কথা যে—মানুহজন গাঁতৰপৰা উঠি অহাৰ লগে লগেই গাঁতটো পুনৰ মাটিৰে একেবাৰে আগৰদৰেই পূৰ হৈ গ'ল, তাত আৰু গাঁতৰ চিন-মোকাম নাথাকিল।

"আপুনি নিশ্চয় কোনোবা মহিমাৱান



মহাপুৰুষ। কিন্তু—তথাপি কিয় 'ৰক্ষা কৰা, ৰক্ষা কৰা' বুলি আৰ্তনাদ কৰিছিল?" গুলালে মানুহজনক সুধিলে।

মানুহজনে মিঠাকৈ হাঁহিৰে ক'লে, "মই মহাপুৰুষ নহওঁ—এজন সাধাৰণ সন্ন্যাসী মাথোন। কিন্তু—মহাশক্তিৰ সামান্যমান মোৰ আয়ত্ত। মই প্ৰতি মাহত এদিনকৈ কোনোবা এজন সৎ ব্যক্তিক এই মহাশক্তিৰ একাংশ প্ৰদান কৰোঁ—যি-মহাশক্তিৰে সেইজন সৎ ব্যক্তিয়ে তেওঁৰ যেইকোনো সৎইচ্ছা পূৰাব পাৰিব। এইদৰেই মই গাঁতৰ সৃষ্টি কৰি গাঁতৰ ভিতৰৰপৰা চিঞৰোঁ, আৰু কোনোবা প্ৰকৃত সৎ ব্যক্তিক পাওঁ—যি-ব্যক্তিৰ মাজত থাকে পৰোপকাৰৰ প্ৰবৃত্তি। আৰু—তেনেহেন পৰোপকাৰী ব্যক্তিক মই এই মহাশক্তিৰ অংশ

প্ৰদান কৰোঁ। যি যি নহওক এতিয়া কোৱাঁ, তোমাক কি লাগে।"

গুলালে তাৰ কাহিনী সেই মহাপুৰুষক ক'লে। তাৰ ধনিক হোৱাৰ ইচ্ছাৰ কথা, পণ্ডিত হোৱাৰ, সংগীত-শিল্পী হোৱাৰ আৰু সৰ্বশেষত চিত্ৰকাৰ হোৱাৰ ব্যৰ্থতাৰ কথাও সন্ন্যাসীক ভাঙি-পাতিয়েই ক'লে।

গুলালৰ সকলো কথা শুনাৰ অন্তত সন্ন্যাসীয়ে গুলালৰ মূৰত হাত দিলে আৰু ক'লে, "এই মুহূৰ্তেৰে পৰাই তোমাৰ মাজত সৰ্ববিষয়ত অগাধ পাণ্ডিত্যৰ সৃষ্টি হ'ব, তোমাৰ সমান কোনো নোলাব—তোমাক মই এই আশীৰ্বাদ কৰিছোঁ।"

গুলালে সন্ন্যাসীক সাষ্টাংগে প্ৰণাম কৰিলে। সন্ন্যাসীয়ে পুনৰ গুলালক ক'লে, "তুমি হ'বা ডাঙৰৰো ডাঙৰ, আৰু তাৰে যহতে হ'বা ধন-মান-পাণ্ডিত্যৰো সাগৰ, যদিও—ধনাৰ্জনৰ বাবে এই মহিমাৰ প্ৰয়োগ নিষিদ্ধ। ধনাৰ্জনৰ বাবে— যদি কেৱল ধনেই তোমাক লাগে—তেতিয়া মহিমাৰপৰা প্ৰাপ্ত শক্তি সম্পূৰ্ণকৈ বিসৰ্জিব লাগিব।"

এই বুলি কৈ, সেই মহাপুৰুষগৰাকী গুলালৰ বিস্ময়ত স্তব্ধ চকুৰ আগতে নোহোৱা হ'ল।

তাৰ পাছত—গুলালে তাৰ নৱলব্ধ মহাশক্তিৰ পৰীক্ষা লোৱাৰ মনেৰে পোনে পোনেই পণ্ডিত গোপালশৰ্মাশাস্ত্ৰীৰ ওচৰলৈকে গ'ল আৰু গুলালে সাহসৰে সৈতে তেওঁক কিছুমান প্ৰশ্ন কৰিলে।

এইবাৰ গুলাল নামৰ গলধনৰ গাগৰিটিৰ প্ৰশ্ন শুনি শৰ্মাশাস্ত্ৰীৰ চকু কপালত উঠিল, আৰু তেওঁ তাৰ এটা প্ৰশ্নৰো সঠিক উত্তৰ দিব নোৱৰা হ'ল।

শৰ্মাশাস্ত্ৰীয়ে গুললালক ক'লে, "তোমাৰ পাণ্ডিত্য—অসাধাৰণ। তোমাৰ দৰে জ্ঞান-প্ৰাপ্তি ইহজনমত মোৰ আৰু যে কদাপি নহ'ব—সেই কথা ধ্ৰুৱ।"

তাৰ পাছত গুলাল গ'ল ত্ৰিপুৰপুৰৰ সংগীতগুৰু ৰাগেশ্বৰৰ ওচৰলৈ। এইবাৰ গুলালৰ কণ্ঠৰ গীতশুনি ৰাগেশ্বৰগুৰুৱে অবাক মানিলে আৰু গুলালৰ সংগীত-প্ৰতিভাৰ আগত মূৰ দোঁৱালে।

চিত্ৰকাৰ সুৰেখৰো সেই একেই অৱস্থা হ'ল। গুলালে আঁকা চিত্ৰৰ স্বৰ্গীয় বিষয়বস্তুৰ তুলনাত সুৰেখৰ চিত্ৰসমূহ সাধাৰণৰো সাধাৰণ

যেন লাগিল। সুৰেখে গুলালক ক'লে, "তুমি যে দৰাচলতে দেৱাংশ—তাৰ মূল্যায়ন মই তেতিয়া কৰিব পৰা নাছিলোঁ। পৃথিৱীত তোমাৰ মান চিত্ৰকাৰ আন কোনোৱেই কোনোদিনেই নোলাব।"

এতিয়া গুলালৰ বিশ্বাস হ'ল যে সি সঁচাকৈয়েই ডাঙৰো ডাঙৰ হ'ল। আৰু এই হঠাৎ হোৱা ডাঙৰত্বৰ যহতে এইবাৰ সি ধনে-ধানে সোণে-মানে সৰাতোকৈ ডাঙৰ হোৱাৰ সপোন সাজি থাকিল।

আৰু এইবাৰ গুলাল বিজয়পুৰলৈ বুলি আগবাঢ়িল।

বিজয়পুৰ বিমলানন্দ কেৱল ধনৰ গৰাকীয়েই নহয়, তেওঁ প্ৰকৃত গুণীৰ গুণৰ যথাযথ শলাগ লোৱাৰো গৰাকী।

গুলাল বিমলানন্দৰ কাষ চাপিল, আৰু তেওঁৰ ওচৰত যথাযথভাবে তাৰ প্ৰকৃত পাণ্ডিত্যৰ পৰিচয় দিলে।

গুলালৰ কথা তথা পাণ্ডিত্যত মুগ্ধ হৈ গুণী-শলগা-গুণী বিমলানন্দই গুলালক ক'লে, "হে আৰ্য্য, আপোনাৰ মান পণ্ডিত লোকৰ দৰ্শন-ভাগ্য হোৱাত মই ধন্য মানিছোঁ, আৰু আপোনাৰ অগাধ-অতুলন পাণ্ডিত্যৰ স্বীকৃতিস্বৰূপে—মই জীৱনতো কাৰৈকো নিদিয়া—অমূল্য উপহাৰ এটি আপোনালৈ আগবঢ়াইছোঁ।" এই বুলি কৈ, বিমলানন্দই গুলালৰ হাতত এপাত সাঁচিপাত দিলে।

বিমলানন্দই ক'লে যে—এই পাতখিলা হ'ল বেদব্যাসৰ মুখ-নিঃসৃত কথা শ্ৰৱণ কৰি স্বয়ং বিঘ্নেশ্বৰে লিখা মহাভাৰতৰ আদি

পাণ্ডুলিপি, এই অমূল্য সাঁচিপতীয়া পাণ্ডুলিপি তেওঁলোকে পুৰুষপৰম্পৰাৰপৰা ৰক্ষা কৰি আহিছে, আৰু সেই পাণ্ডুলিপি আজি যোগ্য হস্তত অৰ্পণ কৰি ধন্য মানিছে।

তাৰ পাছত গুলাল চুবুৰীয়া গাঁৱৰ ভ্ৰমৰানন্দৰ ওচৰলৈ গ'ল — বিমলানন্দৰ নেৰা-নেপেৰা অনুৰোধত।

ভ্ৰমৰানন্দ আছিল সেই কালৰ অতুলনীয় সংগীতজ্ঞ। তেওঁ গুলালৰ সংগীত শুনি অবাক মানি ক'লে, "এনেহেন স্বৰ্গীয় সংগীত সুধাৰ অধিকাৰী পৃথিৱীতে আছে—এয়া এক অভাৱনীয় কথা। মই যে কেনেকৈ কিহেৰে আপোনাৰ মান ধৰিম—ভাবিকে পোৱা নাই। যি কি নহওক—এই টেমাটি গ্ৰহণ কৰি মোৰ জনম-জীৱনক ধন্য কৰক।"

এই টেমাটি আছিল দেখাত তেনেই সাধাৰণ ; কিন্তু টেমাটি খোলাৰ লগে লগেই তাৰপৰা ত্যাগৰাজ নাদব্ৰহ্মৰ কণ্ঠস্বৰ শ্ৰুত হ'ল। সংগীতৰ যি ৰাগ-ৰাগিণী শুনাৰ ইচ্ছা হ'ব—ভবা মাত্ৰেই এই টেমাটিৰপৰা সেই ৰাগ-ৰাগিণী শুনিবলৈ পাব।

এতিয়া কথা হ'ল—গুলালক অপৰিমিত ধন লাগে, কিন্তু সকলোটিয়েই তেওঁক কেৱল মানহে দিয়ে—ধন নিদিয়ে।

যি কি নহওক — এইবাৰ গুলাল ভ্ৰমৰানন্দৰ অনুৰোধত এখন দূৰণিবটীয়া গাঁৱত এগৰাকী মহান চিত্ৰকাৰৰ ওচৰলৈ গ'ল। সেই মহান চিত্ৰকৰ চিত্ৰানন্দয়ো গুলালৰ চিত্ৰাংকণৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে, আৰু গুলালক ক'লে যে—ৰজাই নিশ্চয় তেওঁক জোখে-জোখাৰে ধন-সোণেৰে পুৰস্কৃত কৰিব।

আৰু—সেই মহান চিত্ৰকাৰ চিত্ৰানন্দৰ কথাৰপৰা গুলালে যেনিবা ধনৰ গছকে দেখা পালে।

গুলাল তৎমুহূৰ্ততেই ৰাজধানীলৈ বুলি ওলাল, আৰু তাত খাজিখোৱা এখনত থকা হ'ল। আৰু—সেইখন খাজিখোৱাতে গুলালে পণ্ডিত গোপালশৰ্মাশাস্ত্ৰী, ৰাগেশ্বৰ আৰু সুৰেখকো দেখা পালে।

তাতেই গুলালে শুনিলে যে দেশৰ ৰজাই কলাকাৰসকলৰ মাজত এক প্ৰতিযোগিতা পাতিছে। উচ্চখাপৰ কলাকাৰসকললৈ ৰজাই মান-সন্মান উপহাৰ-পুৰস্কাৰৰ বাবে বিৰাট আয়োজন কৰিছে আৰু তাৰ বাবেই গোপালশৰ্মাশাস্ত্ৰী, ৰাগেশ্বৰ আৰু সুৰেখো তালৈ আহিছে।

তেওঁলোকে গুলালক ক'লে, "এই পৃথিৱীৰ যিকোনো কলাকাৰৰ সৈতে আমি ফেৰ মাৰিব পাৰোঁ ; কিন্তু—আপোনাৰ সৈতে নোৱাৰোঁ। এতেকে—আপুনিও যদি এই প্ৰতিযোগিতালৈ ভাগ লয়েই—আমাৰ পক্ষে এতিয়াই উভতি যোৱাটো শ্ৰেয়স্কৰ হ'ব।"

এওঁলোকে নিজ-নিজ চেষ্টাৰে প্ৰতিভাৱান হৈছিল, কিন্তু গুলাল ভাগ্যৰ গুণেৰে। এই বিষয়ে গুলালেও গভীৰভাৱে চিন্তা কৰি চালে, আৰু তাৰ পাছত সেই তিনিও মহান কলাকাৰক ক'লে, "আপোনালোক—তিনিও গৰাকীয়েই মোৰ গুৰুস্থানীয়। আপোনালোকৰ সহায়-সাৰথিৰেই মই আজিৰ এই উন্নত অৱস্থা পাইছোঁহি। মই এই প্ৰতিযোগিতাত কেৱল

দৰ্শক হৈ থাকিম, প্ৰতিযোগী নহ'ম। কিন্তু এটা কথা, আপোনালোককো যদি কোনোবা-কুনুবিয়ে হৰুৱায়—তেনেহ'লে সেই জিকাৰুক জিকিবলৈ মই কিন্তু তেতিয়াই প্ৰতিযোগিতালৈ জঁপিয়াই পৰিম।"

গুলালৰ কথাত তিনিও পৰিতুষ্ট হ'ল। গুলালে সেই প্ৰতিযোগিতালৈ ভাগ নোলোৱাকৈয়েই থাকিল, কিয়নো গোপালশৰ্মা, ৰাগেশ্বৰ আৰু সুৰেখ—নিজ-নিজ বিভাগত বিজয়ী হিচাপে ঘোষিত হ'ল আৰু অন্যান্য উপহাৰ-সামগ্ৰীৰ উপৰিও একলাখকৈ মুদ্ৰাৰেও পুৰস্কৃত হ'ল।

প্ৰতিযোগিতাৰ অন্তত নিজ-নিজ ঠাইলৈ উভতি যোৱাৰ আগতে তেওঁলোকে গুলালক কিছুখিনিকৈ ধন দিব খোজাত গুলালে ক'লে, "যাৰ ভাগ্যত যি, তাকে পায় সি। দানৰ ধন গ্ৰহণৰ মন মোৰ নাই।"

"তথাপি কওঁ—গ্ৰহণ কৰক। আগলৈ কেতিয়াবা আমাক সহায় কৰিলে আমি ভাল পাম, উপকৃত হ'ম।" তিনিও পণ্ডিতে একমত হৈ গুলালক ক'লে।

আচলতে তেওঁলোকে গুলালৰ মহিমাময় প্ৰতিভাৰ সামান্যমান হ'লেও এইদৰে পোৱাৰ বাবে চেষ্টা কৰিছিল। কিন্তু গুলালে কৈছিল, "মোৰ ওচৰত—আপোনালোকলৈ সহায় আগবঢ়াব পৰা একো নাই। মোৰ ওচৰত আছে বেদব্যাস-কথিত বিঘ্নেশ্বৰ-লিখিত সাঁচিপাত এখিলা, ত্যাগৰাজ নাদব্ৰহ্মৰ কাঁহৰ টেমা, আৰু অজন্তা-চিত্ৰ। ইয়াৰ বাহিৰে আন একোৱেই মোৰ ওচৰত নাই।'



গুলালে এইবোৰ বস্তুৰ কথা কোৱাত তিনিও গৰাকীয়েই তৰধ মানিলে আৰু ক'লে, "এইবোৰ অমূল্য সামগ্ৰী—আনকি অপৰিমিত ধনৰ বিনিময়তো পাব নোৱাৰি। আমি আপোনাক তিনি লাখ মুদ্ৰা দিম, আমাক সেই সামগ্ৰীখিনি দিয়ক।"

গুলাল দোমোজাত পৰিল। গুলালে ক'লে, "সৌ সৰোবৰৰ তীৰত বড়জোপাৰ তলত বহোঁগৈ ব'লক, তাতেই মই মোৰ ক'বলগাখিনি আপোনালোকৰ আগত ক'ম।"

চাৰিওজনেই নিৰবে-নিষাতে সৰোবৰৰ পাৰৰ বড়জোপাৰ তললৈ আহিল। তেতিয়া গুলালে কৈ থাকিল, "এতিয়াহে মই সেই মহাপুৰুষ সন্ন্যাসীৰ কথাৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰ হৈছোঁ। —আপোনালোক

প্ৰকৃততেই নিজ-নিজ ক্ষেত্ৰত মহা-পণ্ডিত, মহান কলাকাৰ। এই সাঁচিপতীয়া লিপি, নাদব্ৰহ্ম টেমা আৰু অজন্তা-চিত্ৰ— আপোনোলোকৰ ওচৰতে সুৰক্ষিত-সুশোভিত হৈ থাকক।"

এই বুলি কৈ তেওঁলোকৰপৰা মুদ্ৰা তিনিও লাখ লৈ, গুলাল পোনে পোনেই নিজ-গাঁৱলৈ বুলি খোজ লোৱা হ'ল।

ইমানলৈকে কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! ধনী হ'ব খোজা গুলালে পাছত যি মহিমা-শক্তি আৰ্জিছিল, ধন-সোণ আছিল তাৰ তুলনাত তেনেই তুচ্ছ। গুলালে মন কৰিলে দেশৰ ৰজাই পতা প্ৰতিযোগিতাৰ সৰ্বক্ষেত্ৰতে বিজয়ী হৈ অভূতপূৰ্ব সন্মানৰ আৰু অপৰিমিত ধন-সোণৰো গৰাকী হ'ব পাৰিলেহেঁতেন। কিন্তু সেইবোৰ কৰ্ম-কাণ্ডৰ কাষেদিও নগৈ, নিজক নিজেই প্ৰতিযোগিতাৰ বাহিৰত ৰাখি, আপোন-যশস্যা আনক দি, আনকি পৃথিৱীৰ সমগ্ৰ ধনেৰেও পাব নোৱৰা অমূল্য সামগ্ৰীখিনি গোপালশৰ্মাশাস্ত্ৰী, বাগেশ্বৰ আৰু সুৰেখক দিয়াৰ বিনিময়ত মাত্ৰ তিনিলাখ মুদ্ৰাৰে তুষ্ট-তৃপ্ত হৈ গুচি গ'ল কিয়? মোৰ এই প্ৰশ্নৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি ধুৰুপেই জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যৰজাই বেতালক ক'লে :

"সেই মহাপুৰুষ সন্ন্যাসীয়ে গুলালক মহিমাৱান মহাশক্তিৰ অংশ দিওঁতে কৈছিল যে—কেৱল ধনেই যদি লাগে—আন সকলো—অৰ্থাৎ মহিমাৰপৰা প্ৰাপ্ত আন সকলো বিসৰ্জিব লাগিব। গুলাল প্ৰকৃতপক্ষে পণ্ডিতো নাছিল, পাণ্ডিত্যৰ মোলও নুবুজিছিল। গুলাল আছিল অতি সাধাৰণ চিন্তাৰ সাধাৰণ দৃষ্টিভংগীৰ সামন্য মানুহ। গতিকে— প্ৰকৃত পাণ্ডিত্যৰ অসামান্যতাৰ অসাধাৰণ সামগ্ৰী প্ৰকৃত পণ্ডিত তিনি গৰাকীলৈ প্ৰদান কৰি—অমূল্য কাঞ্চনৰ সলনি মুদ্ৰাৰূপী কাচেৰেই তৃপ্ত-তুষ্ট হৈছিল। জগতৰ কোনো সাধাৰণ মানুহেই কাচ আৰু কাঞ্চনৰ প্ৰভেদ-পাৰ্থক্য উপলব্ধি কৰিব নোৱাৰে।"

এই উত্তৰ শুনিয়েই বেতালে সেই মৃতদেহটো লৈ পুনৰ সেই গছজোপালৈ সাউৎকৰে গুচি গ'ল। [কল্পিত

সাগৰৰ পাৰে পাৰে যাওঁ ৰঙে ৰঙে
অন্ধ্ৰৰ অৰঙে–দৰঙে

গ্ৰন্থন : মীৰা নায়াৰ ✱ অঙ্কণ : গোপকুমাৰ

মছিলিপতনমৰ উত্তৰ-পূৰ্ব দিশত আছে *গোদাৱৰী* নৈ-সৃষ্ট ব-দ্বীপ। গোদাৱৰী নৈ হ'ল দক্ষিণ ভাৰতৰ দীৰ্ঘতম নৈ, যিখন নৈ দক্ষিণগংগা নামেৰেও অভিহিত। এই ব-দ্বীপৰ উত্তৰ-পূব সীমাত অৱস্থিত ফৰাছি ভাষাভাষী *য়ানম* নামৰ চহৰখন।

য়ানম চহৰহখন সিমান আছল-বহল নহয়, মুঠেই ৩৪ স্কোৱেয়াৰ কিল'মিটাৰ। অগৰ দিনত ফৰাছিৰ এই উপনিবেশ, এতিয়া কেন্দ্ৰ-শাসিত পণ্ডিচেৰীৰ অন্যতম অংশ।

য়ানমৰো উত্তৰে আছে সাগৰপৰীয়া গাঁও *সৰ্পপুৰম*। এই গাঁওখন বিভিন্ন ধৰণৰ সাপৰ কাৰণে বিখ্যাত। এই ঠাইৰ ভৱনাৰয়ণ-স্বামী মন্দিৰো সুবিখ্যাত।

কিংবদন্তি মতে : এসময়ত অনন্তৰ মাতৃ, সৰ্পৰাণী, কিবা কথাত অতিপাত ক্ৰুদ্ধা হৈ ভয়ংকৰ অভিশাপ দিয়াত সৰ্পকুল জুইত আত্মাহুতি দিছিল। কিন্তু অনন্ত তেতিয়া তাত নাছিল, তীৰ্থে তীৰ্থে ভ্ৰমি ফুৰিছিল। তীৰ্থৰপৰা উভতি আহি এই বেদনাদায়ক ঘটনাৰ কথা জানি বিচলিত হৈ অনন্তই বিষ্ণুৰ শৰণ লৈছিল আৰু মহাবিষ্ণুৱে পুনৰ সৰ্পকুলক জীয়াই তুলিছিল। পাছত অনন্তই ইয়াত বিষ্ণুমন্দিৰ স্থাপন কৰিছিল আৰু এইদৰে মহাবিষ্ণুলৈ সৰ্পকুলৰ কৃতজ্ঞতা প্ৰকাশ কৰিছিল।

কাকিনাড়াৰ মৎস্য-বন্দৰত

আৰু কেইকিল'মিটাৰমানৰ উত্তৰে গৈ গৈ আমি, *কাকিনাড়া* পামগৈ, কাকিনাড়া আছিল— কপাহ, বাদাম, চেনি আৰু ধঁপাত ৰপ্তানিৰ এখন বন্দৰ। ১৯২৩ চনত, প্ৰথম খিলাফৎ-নেতা মওলানা মহম্মদ আলীৰ সভাপতিত্বত ইয়াত ভাৰত জাতীয় কংগ্ৰেছৰ অধিবেশন পতা হৈছিল।

দ্ৰাক্ষাৰামা হ'ল আন এখন সাগৰপৰীয়া চহৰ। দ্ৰাক্ষাৰামা কাকিনাড়াৰপৰা ১৭ কি.মি.। আচলতে এই নামটো হ'ল *দক্ষ-আৰামা* বা দক্ষপ্ৰজাপতিৰ কুঞ্জবন। কিন্তু এই শব্দটো মানুহৰ মুখে মুখে পৰিৱৰ্তিত-বিৱৰ্তিত হৈ দ্ৰাক্ষাৰামা হ'লগৈ। এই ঠাইডোখৰ এক বিখ্যাত যজ্ঞথলী।

দ্ৰাক্ষাৰামা মন্দিৰ

কিংবদন্তি অনুসাৰে, পিতৃৰ ইচ্ছাৰ বিৰুদ্ধে দক্ষপ্ৰজাপতিৰ কন্যা দাক্ষায়নীয়ে শিৱক বিবাহ কৰাইছিল। সেই যজ্ঞলৈ তেওঁ শিৱলৈ নিমন্ত্ৰণী পঠোৱা নাছিল। শিৱক অপমান কৰিবলৈ হে দক্ষপ্ৰজাপতিয়ে এই কাৰ্য্য কৰিছিল। কিন্তু অনিমন্ত্ৰিতা দাক্ষায়নী তথাপি পিতাকৰ যজ্ঞলৈ যোগদান কৰিছেলগৈ। কিন্তু পিতৃ দক্ষপ্ৰজাপতিয়ে দাক্ষায়নীক আৰু লগতে তাত অনুপস্থিত শিৱকো নানান কথাৰে অপমান কৰাত দক্ষায়নীয়ে যজ্ঞাগ্নিলৈ আত্মাহুতি দিলে। এই সম্বাদ পাই অগ্নিসম ক্ৰুদ্ধ হৈ শিৱ লৰবি আহিল আৰু তেওঁৰ দেহৰ ঘামৰপৰা বীৰভদ্ৰ নামৰ এক ভয়ংকৰ বীৰৰ জন্ম হ'ল আৰু বীৰভদ্ৰই দক্ষপ্ৰজাপতিক বধিলে।

দ্ৰাক্ষাৰামাৰ মন্দিৰ তেলুগু কাব্য *ভীমখণ্ডৰ* ৰচক কবি শ্ৰীনাথ-নিৰ্মিত বুলি জনশ্ৰুতি প্ৰচলিত। কবি শ্ৰীনাথক তেলুগু ভাষাৰ জনক বুলিও অভিমত প্ৰকাশ কৰা হয়। তেওঁৰ আগতে তেলুগু ভাষাৰে কোনেও হেনেলিখা নাছিল। কৌতূহলজনক কথা, তাত অৰ্থাৎ এই শিৱমন্দিৰৰ প্ৰাংগণত ছৈয়দ শ্বাহ ভাজি আউলিয়াৰ কবৰ আৰু এটি মছজিদো আছে।



ৰাজমুন্দ্ৰিত থকা ৰেল দলং

ৰাজমুন্দ্ৰি (ৰাজামহেন্দ্ৰভৰম্) হ'ল কাকিনাড়াৰ পশ্চিম দিশত গোদাৱৰী নৈৰ তীৰস্থ এখন অতি উন্নত ঠাই। ৰাজমুন্দ্ৰিৰ দলিচা-শিল্প আৰু চন্দনকাঠৰ শিল্প অতি বিখ্যাত। ৰাজামুন্দ্ৰিৰ ৫৬ স্তম্ভ-সমন্বিত ৰেলৰ দলংখন ভাৰতত দ্বিতীয় দীৰ্ঘতম ৰেলৰ দলং। ৰাজমুন্দ্ৰি কবি নান্নায়াবো জন্মস্থান, যিগৰাকী কবিয়ে অন্ধ্ৰ মহাভাৰতমু নামৰ কালজয়ী তেলুগু মহাকাব্য ৰচিছিল।

এতিয়া সাগৰৰ পাৰে পাৰে ৰঙতে ৰাঙলী হৈ আমি পাওঁগৈ বিশাখাপতনম্। *বিশাখাপতনম্* নামৰ এই সামুদ্ৰিক বন্দৰখন হ'ল পশ্চিমে ৰটাৰড্যাম আৰু পূবে টোকিঅ'ৰ মাজত থকা বৃহত্তম আৰু গভীৰতম বন্দৰ। বিশাখাপতনম নামটো সাহসৰ দেৱতা *বৈশাখৱপৰা* উদ্ভূত বুলি কোৱা হয়। ইয়াত একালত বৈশাখ-দেবতাৰ মন্দিৰ সাগৰপাৰত পৰিলক্ষিত হৈছিল আৰু ইংৰাজে বিশাখাপতনমক সাগৰ-বন্দৰ হিচাপে গঢ়ি তোলাৰ আগলৈকে বিশাখাপতনম্ আছিল মাছমৰীয়াহঁতৰ এখন গাঁও মাথোন। আজিৰ বিশাখাপতনম্ হ'ল এখন সদাব্যস্ত কৰ্ম-কোলাহলমুখৰ শিল্প-নগৰী তথা গুৰুত্বপূৰ্ণ সামুদ্ৰিক বন্দৰ। ভাৰতৰ বৃহত্তম জাহাজ-নিৰ্মাণকেন্দ্ৰ হিন্দুস্থান শ্বিপইয়াৰ্ড লিমিটেড ১৯৫২ চনত স্থাপিত।

বিশাখাপতনমৰ জাহাজ-নিৰ্মাণ কেন্দ্ৰ

বিশাখাপতনম নগৰৰ অতি-খ্যাত ঠাইডোখৰ হ'ল ৩৫৮ মিটাৰ ওখ *ডলফিনজ নোজ* নামৰ এচটা প্ৰকাণ্ড শিল। এই প্ৰকাণ্ড শিলচটা দেখাত ডলফিনৰ দৰে (অৰ্থাৎ তিমি জাতীয় সাগৰীয় শুশুকৰ নাকৰ দৰে) হোৱাত এই নামকৰণ। এইচটা শিল সাগৰগৰ্ভৰ ওপৰতে ওলোমা। এই শিলচটাৰ ওপৰত আছে ৰাতিৰ পৰতে জাহাজক দিশ-দৰ্শোৱা লাইটহাউছ। সমুদ্ৰৰ ৬৫ কিল'মিটাৰ আঁতৰৰপৰা এই লাইটহাউছৰ পোহৰ পৰিলক্ষিত হয়। এই লাইটহাউছ ভাৰতৰ আটাইতকৈ ডাঙৰ লাইটহাউছ।

ওৱালটিয়াৰ চহৰখন ইয়াৰপৰা তিনি কিল'মিটাৰমান। এই সুন্দৰ সৰু অথচ শোভাময় চহৰখন এখন চিত্তাকৰ্ষক স্বাস্থ্যকেন্দ্ৰ। এই অঞ্চলৰ তিনিখন সাগৰবালি—বিশাখাপতনম্ সাগৰবালি, ৰামকৃষ্ণ মিশ্যন সাগৰবালি, ঋষিকোণ্ডা সাগৰবালি—আৰু লগতে লছন বে' নামৰ সাগৰবালিও বিশ্ব-বিদিত।

ডলফিনজ্ নোজ

সিংহাচলম্ বা সিংহৰ পাহাৰখন হ'ল বিশাখাপতনমৰ ১৬ কিল'মিটাৰ পশ্চিম। ইয়াত ১১ শতিকাত নির্মিত মহাপ্রভু নৰসিংহ তথা বিষ্ণুমন্দিৰ এই পাহাৰৰ ওপৰত পৰিলক্ষিত হয়।

পুৰাণত থকা মতে : ৰাক্ষসৰাজ হিৰণ্যকশিপু তেওঁৰ পুত্ৰ প্ৰহ্লাদে বিষ্ণুৰ আৰাধনা কৰাহেতুকে অতিপাত ক্ৰুদ্ধ হৈছিল। এই কাৰণে হিৰণ্যকশিপুৱে পুত্ৰ প্ৰহ্লাদক নামা ধৰণে যাতনা দি থাকিল বিষ্ণুপূজা বন্ধ কৰিবলৈ। হিৰণ্যকশিপুৱে প্ৰহ্লাদক সাগৰলৈ নিক্ষেপ কৰিছিল, তথাপি প্ৰহ্লাদৰ মৃত্যু নোহোৱাত সিংহাচলম পাহাৰলৈ লৈ গৈছিল প্ৰহ্লাদৰ মস্তক চূৰ্ণ-বিচূৰ্ণ কৰাৰ মনেৰে। তেতিয়া বিষ্ণুৱে নৰসিংহৰ মূৰ্তি (অৰ্দ্ধ মানৱ-অৰ্দ্ধ সিংহাকৃতি) ধাৰণ কৰি হিৰণ্যকশিপুক বধিছিল। কিন্তু তথাপি মহাবিষ্ণুৰ মহাক্ৰোধ শান্ত নহ'ল। তেতিয়া শিৱই শৰভপক্ষীৰ ৰূপ ধাৰণ কৰি বিষক্ৰুদ্ধ বিষ্ণুক শান্ত কৰিছিল। ক্ৰুদ্ধ বিষ্ণুক শান্ত কৰিবলৈ মন্দিৰস্থ নৰসিংহৰ মূৰ্তিত আজিও চন্দনকাষ্ঠৰ ডাঠ লেও লেপি দিয়া হয়। এই চন্দন-লেও বছৰি এবাৰকৈ মূৰ্তিৰপৰা গুচোৱা হয়, আৰু এই উপলক্ষ্যে এপ্ৰিল-মে' মাহত চন্দনযাত্ৰা উছৱ পতা হয়।

লছন বে' সাগৰবালি

©Amrita Bharati, Bharatiya Vidya Bhavan, 1997

সপোনৰ ৰজা-দিঠকৰ ৰাণী

নাম তাৰ ৰাজকুমাৰ, কিন্তু ক'বলৈ গ'লে— থান-থিত নাই তাৰ। অৱশ্যে — মাউৰা ৰাজকুমাৰক তাৰ বুঢ়া ককাকেই পালিছে, তথাপি তাৰ জীৱনৰ ভেটি—ক'বলৈ গ'লে প্ৰায় উছনেই হৈছে।

সি ৰাজকুমাৰ যেতিয়া ওঠৰ বছৰীয়াটো হ'ল, তেতিয়াও সি গা-লৰাব নজনাটো হৈয়েই থাকিল। তাৰ পাছত—এদিন যেতিয়া টান বেমাৰত পৰি ককায়েক ঢুকাল, তেতিয়াহে সি জানিলে যে সিহঁতৰ ঘৰটোও ককাক জীয়াই থাকোঁতেই বেচা গ'ল।

ঘৰটো সি এৰিব লাগিব বুলি চুবুৰীয়া পাৰমশ ডাঙৰীয়াই যেতিয়া খৰাংখাচ কৈ দিলে, আৰু মাত্ৰ সাতদিনৰ সময় দিলে, তেতিয়া ৰাজকুমাৰৰ মূৰত চৰগ পৰিল। সি গোটেই ঘৰটোত তন্নকৈ বিচাৰিত আনকি এশটি ৰূপও নাপালে, পালে মাত্ৰ দটি টকা। কিন্তু বহু পৰলৈকে ভাবি-গুণিও সি দহটকীয়া হোৱাৰ কোনোবিধৰ উপায় নাপালে।

এদিন সি ৰাজকুমাৰে ঘৰৰপৰা অলপমান আঁতৰত গছ এজোপাৰ তলত থকা শিল এচটাৰ ওপৰত বহি যেতিয়া আকাশ-পাতাল ভাবি আছিল, তেতিয়া এজন বনজন অৰ্থাৎ জনজাতীয় মানুহ এজন তালৈ আহিল আৰু অলপ পৰলৈ ৰাজকুমাৰলৈ চাই থকাৰ অন্তত কৈ উঠিল, "দেখাত—ৰজাঘৰীয়া, সাজ-পাৰহে ডাং-ঠেৰীয়া। পিছে—হতাশ নহ'বা—তোমাৰ ভাগ্যত ভোটা তৰাই জলমলাইছে।" এই বুলি, মানুহজনে ৰাজকুমাৰৰ হাতত থকা মুদ্ৰাখিনিৰপৰা এটা মুদ্ৰা লৈ তাৰপৰা দীঘল দীঘল গুচি গ'ল আৰু গছ-তলত শিল ওপৰত বহি এচটাৰ তাৰ সৰ্বশেষ কড়িখিনি গন্তি কৰি থকা ধান-থিত নথকা ৰাজকুমাৰ ভেবুৱা লাগিল।

গজানন গগৈ



গোটেই দিনটোৱেই সেই বনজন মানুহজনে কোৱা কথা ৰাজকুমাৰে ভাবি থাকিল।

ৰাতিৰ পৰতে লাল-কাল টোপনিৰ মাজত ৰাজকুমাৰে নিজক মকুট-পিন্ধা ৰজা হিচাপে সপোনত দেখা পালে। সাৰ পাই কুকুৰাৰ মাত শুনিলে আৰু তেতিয়া মনত পৰিল তাৰ আইতাকে কোৱা কথা এযাৰ : পুৱাৰ সপোন সঁচা হয়, পুৱাৰ সপোন ফলে। কিন্তু সি যে কেনেকৈ সঁচাসঁচিকৈ ৰজা হ'ব—বহুতো পৰলৈকে ভাবি ভাবিও ভাবিকে নাপালে।

আৰু—তাৰ পাছত—হঠাৎ সি গাঁও এৰি আন ক'ৰবালৈ গুচি যোৱাৰ কথা ভাবিলে, আৰু ভবা মতেই, পাছদিনাই সি ঘৰ-দুৱাৰ বন্ধ কৰি, মোনা এটাত ইটো-সিটো ভৰাই লৈ, য'লৈকে চকু যায় ত'লৈকে ওলাই পৰিল।

গৈ গৈ — প্ৰায় চাৰিদিনৰ অন্তত সি ৰাজধানী পালেগৈ। তাৰ চোলাৰ জেপত তেতিয়া আৰু মাত্ৰ তিনিটাহে মুদ্ৰা আছেগৈ, তাৰ তেতিয়া ভোকত আতুৰ অৱস্থা। তেতিয়া গৈ গৈ—সি খাজিখোৱা এখনলৈ সোমালগৈ।

তেতিয়া তাত আন কিছুমানে খাবলৈ বহিছিল, আৰু বুঢ়ী এগৰাকীয়ে ভাত-পানী দিব ধৰিছিল। ৰাজকুমাৰো তাত এচুকত বহিলহি আৰু সেই খাজিখোৱা-বুঢ়ীয়ে তাকো ভাত-পানী দিলে।

খাৱৈয়া এজনে বুঢ়ীক সুধিলে, "আইতা, তুমি বৰ চিন্তাত পৰিছা যেন লাগিছে, মুখখন ক'লা পৰিছে। কিহৰনো ইমান চিন্তা? যোৱবাৰ কৈছিলা যে তোমালোকৰ ৰজা হেনো বেমাৰত পৰি আছে। তেওঁ এতিয়াও ভাল হৈ উঠা নাইনে?"

বুঢ়ী মানুহজনীয়ে হুমুনিয়াহ কাঢ়ি ক'লে, "চুবুৰীয়া ৰজাৰ বৈদ্যই কিৰপা কৰাত আমাৰ ৰজা বাঁচিল, কিন্তু তেওঁ তেওঁৰ চোৱালীজনীৰ —ৰাজকুঁৱৰীৰ বিয়াৰ চিন্তাত—কিয় জনা নেযায়— অস্থিৰ হৈ উঠিল।"

"কেলেই —?"

মানুহজনে সুধিলে।

"ৰাজকুঁৱৰীক বিয়া কৰাবলৈ—আহি আছে ঢেৰ ; কিন্তু ৰাজকুঁৱৰীয়ে — তেওঁ সপোনত দেশখা যুৱাৰ বাহিৰে আন কাকো বিয়া নকৰাব। ৰাজকুঁৱীয়ে নিতৌ গধূলিৰ আগে আগে আহি থকা সেই দেৱীপাহাৰৰ গোসাঁনীৰ মন্দিৰলৈ গৈ থাকোঁতে বাটত এডাল কিচকিচকৰে ক'লা বিষাল সাপে ফেঁট মেলি

তেওঁ খুটিবলৈ আহি থকাতে যুৱা এজনে লৰাৰি আহি সাপটোক হাতেৰে থাপ মাৰি ধৰি শূন্যলৈ পকাই দিলয়াই পেলাই তেওঁক মৃত্যুৰপৰা ৰক্ষা কৰিছে। এতিয়া — ৰাজকুঁৱৰীয়ে সেই সপোনৰ যুৱাকে বিয়া কৰাব বুলি ঠেহ জুৰিছে। যদিও হাঁহিউঠা, তথাপি—কি বিপদৰ কথা কোৱচোঁ ?'

খাই থাকোঁতে ৰাজকুমাৰে বুঢ়ীৰ কথাখিনি কাণ পাতি শুনিলে আৰু খৰধৰকৈ ভাতখিনি গিলি খাই তাৰপৰা ওলাই পোনে পোনেই সাপ-ধৰা সাপ-নচুৱাহঁতৰ চুবুৰীলৈ গ'ল আৰু সাপ-ধৰা মানুহ এজনক ক'লে, 'মোক কিচকিচীয়া ক'লা সাপ এডাল বেচিবানে ? কিন্তু সেই সাপটোৰ বিহদাঁত নাথাকে যেন, আৰু বিষাক্তও নহয় যেন।"

সাপ-ধৰা মানুহটোৱে ক'লে, "বেচিম। কিন্তু দুটা ৰূপৰ মুদ্ৰা দিব লাগিব।"

তেতিয়া ৰাজকুমাৰৰ ওচৰত আৰু মাত্ৰ দুটাহে মুদ্ৰা আছিল। সি আন কোনো চিন্তা নকৰি দুটা মুদ্ৰাৰে কিচকিচীয়া ক'লা ফেঁট মেলা সাপ এডাল কিনি লৈ সেই দেৱীনাহাৰলৈ গ'ল, আৰু তাত গছ-বনৰ আঁৰত লুকাই থাকিল।

বহু সময়ৰ পাছত বেলিয়ে যেতিয়া ঠেং মেলিলে, দুজনী যুৱতীক মন্দিৰলৈ আহি থকা দেখা পালে। কিন্তু এই যুৱতী দুজনীৰ মাজত এজনীও যে ৰাজকুঁৱৰী নহয়—সেই কথা ৰাজকুমাৰে উমানতে ঠাৱৰ কৰিব পাৰিলে। কিন্তু অলপ পাছত অতি জলমলীয়া ধুনীয়াৰো ধুনীয়া সাজ-পাৰ পিন্ধা যিগৰাকী গাভৰুক আহি থকা দেখিলে—সেই গাভৰুগৰাকীয়েই যে



ৰাজকুঁৱৰী—সেই কথাত ৰাজকুমাৰৰ মনত অলপো সন্দেহ নাথাকিল।

আৰু লগে লগেই গছ-বনৰ আঁৰৰপৰা ৰাজকুমাৰে সেই ক'লা সাপডালক ৰাজকুঁৱৰী গৈ থকা বাটলৈ দলিয়াই পেলালে।

কিচকিচীয়া ক'লা সাপডাল দেখা পায়েই ৰাজকুঁৱৰীয়ে চিঞৰি দিলে, আৰু যেনিবা মাটি ফালি ওলাই আহি ৰাজকুমাৰে সেই সাপডালক থাপ মাৰি ধৰি শূন্যলৈ পকাই বহু দূৰলৈ দলিয়াই পঠালে।

সাপৰ খোটত নহয়, ভয়ৰ চোটত, অচেতন হৈ পৰা সেই গাভৰুগৰাকীয়ে চেতনা ঘূৰাই পাই ৰাজকুমাৰক ক'লে, "তুমি মোৰ ৰক্ষাকৰ্তা, মোৰ এই মতত তোমাৰ যদি অমত নাই—তোমাকেই মই বিয়া কৰাম।"

ৰাজকুমাৰৰ দেহ-মনত তেতিয়া নধৰ-নপৰ, উজান-ভাটি। তেতিয়াই সেই মন্দিৰৰ পুৰোহিতে-দেৱী গোসাঁনীক সাক্ষী কৰি ৰাজকুমাৰৰ সৈতে ৰাজকুঁৱৰীৰ বিয়া পাতি সেন্দূৰ পিন্ধাই দিলে আৰু তাৰ পাছত ৰাজকুঁৱৰীয়ে পতি ৰাজকুমাৰক সেই খাজিখোৱালৈ লৈ আহি বুঢ়ী-আইতাকৰ আগত থিয় কৰাই ৰাজকুমাৰক চিনাকি কৰাবলৈ ধৰাত ৰাজকুমাৰে ৰাজকুঁৱৰীক ক'লে, "ইয়ালৈ লৈ আহিলা যে —? আমাৰ এই আইতাক তুমিও চিনি —তুমিও আমাৰ আইতাক বাৰু চিনি পোৱানে কি ?"

ৰাজকুঁৱৰীয়ে মিঠকৈ হাঁহিৰে ক'লে, "বহু বহু দিনৰ আগৰ কথা। মই মোৰ মা-দেউতাৰ সৈতে কোনোবা এখন দূৰণিবটীয়া মেলালৈ গৈছিলোঁ, আৰু তাত মই মা-দেউতাৰপৰা বিচ্ছিন্ন হৈ পৰিছিলোঁ, মানে হেৰাই গৈছিলোঁ। তেতিয়া মই আছিলোঁ মুঠেই চাৰি বছৰীয়া। মই হৰাই যোৱা সেই মেলাৰপৰা এইগৰাকী আইতাই মোক বুটলি লৈ আহিছিল, পুহি-পালি তুলি-তালি ডাঙৰ-দীঘল কৰিছিল, আৰু তাৰ পাছত—আমাৰ দেশৰ ৰাজকুঁৱৰীৰ সখিয়েক হিচাপে ৰজাৰ ঘৰত কামত লগাই দিছিল।"

"তাৰ মানে —"

বিবুদ্ধিত পৰা বেবুৰা লগা ৰাজকুমাৰে কৈ উঠিল, "তু-তুত্ — তুমি তেন্তে আচল ৰাজকুঁৱৰী নহয়নে কি ! ৰাজকুমাৰে ক'লে, সকলোখিনি ঘটনাৰ কথা ভাঙি-পাতি কোৱা —নহ'লে তুমি বাৰু তোমাৰ বাটে যোৱা।"

আইতাকে সোলামুখৰ হাঁহিৰে ক'লে, "তাইৰ নাম ৰাজকুঁৱৰী নহয়, আমি তাইক ৰাজকুমাৰী বুলি সৰুৰেপৰাই মাতিছিলোঁ। এতিয়া তাই আৰু কুমাৰী হৈ নাথাকিল, গতিকে তাই ৰাজকুমাৰী গুচি 'ৰাণী' হ'ল, আৰু— তুমিও ৰাজকুমাৰ গুচি ৰজা হ'লা। গতিকে— তোমালোকেই হ'লা ৰজা-ৰাণী। নহ'লাইবা কোনোবাখন দেশৰ ৰজা দেশৰ ৰাণী, মনৰ ৰজা প্ৰাণৰ ৰাণী হোৱাটোৱেইবা কিহৰ কমখিনি ?"

ৰাজকুমাৰ-ৰাজকুমাৰীয়ে আইতাক প্ৰণাম কৰি, আইতাকৰপৰা শুভাশীৰ্বাদ গ্ৰহণ কৰি সপোনৰ সেন্দূৰীয়া আলিলৈ তথা স্বপ্নময় জীৱনলৈ বুলি খোজ ল'লে।

সোণালী দুৱাৰ - ১৪

১. ...সামুদ্রিক প্রাণীবোৰৰ ধ্বংসাৱশেষেৰে গঠিত পাহাৰৰ দৰে থিয় বগা দাঁতি ?

মৃত সামুদ্রিক প্রাণীবিলাকৰ খৰিমাটিহেন হৈ পৰা জঁকা আদি দ'ম খাই ভূঁইকঁপৰ লগতে সাগৰ ভেদি ওপৰলৈ উঠে আৰু কালক্ৰমে কঠিন শিললৈ ৰূপান্তৰিত হয়।

এহি পৃথিৱীৰ ক'তনো পাবা বিচাৰি....?

২. ... দেখাত স্তূপ যেন শস্য ভঁৰাল ?

এই শস্য-ভঁৰাল ভাৰততে অৱস্থিত। এই ভঁৰালৰ দুৱাৰ ভিতৰৰ ফালেহে খুলিব পাৰি, কিন্তু ভঁৰাল শস্যেৰে পৰিপূৰ্ণ হ'লে দুৱাৰ খুলিব নোৱাৰি। এই শস্যাগাৰ ১৭ শতিকাত যেতিয়া ভাৰতত দুৰ্ভিক্ষই মূৰ দাঙিছিল, তেতিয়া ইস্ট ইণ্ডিয়া কম্প্যানিয়ে নিৰ্মাণ কৰিছিল।



৩. ...পৃথিৱীৰ উচ্চতম মূৰ্তি ?

এই মূৰ্তি নাৰীমূৰ্তি। এই নাৰীৰ এহাতত আছে উদ্যত তৰৱাৰি। মূৰ্তিৰ উচ্চতা ৮২ মিটাৰ।

৪. ... আগ্নেয়গিৰিয়ে উৎক্ষেপণ-কৰা লাভাৰে গঠিত পাহাৰৰ মাজত বসবাসকাৰী মানুহ ?

কোটি কোটি বছৰৰ আগেয় আগ্নেয়গিৰিৰপৰা নিৰ্গত লাভাৰে গঠিত এইবোৰ লাভা-পৰ্বতক ওখ-ওখ অট্টালিকা যেন দেখি। এইবোৰ লাভা-পৰ্বতৰ মাজতে থকা কোমল মাটিত গুহাৰ দৰে গাঁত খান্দি বাসযোগ্য ঘৰ সাজি লোৱা হৈছে। ইয়াতো গিৰ্জা, মঠ, বেদি আদি আছে, আৰু লগতে এই লাভাৰেই চকি-মেজও সাজি লোৱা হৈছে।

৫. ....বৃহত্তম ৰাষ্ট্ৰীয় চিৰিয়াখানা ?

এই চিৰিয়াখানাত কমেও ৪০০ বিধৰ চৰাই আছে, ১৫০ বিধৰ স্তন্যপায়ী জন্তু, ৫০ বিধৰ মাছ, ৪০ বিধৰ ভেকুলীও আছে। আৰু আছে৩৪ বিধিৰ সাপ। এই ১৯৪৫৫ কিল'মিটাৰলৈকে বিয়পা চিৰিয়াখানাত প্ৰায় ৭০০০ হাতী, ১৫০০ সিংহ, ৯০০ নাহৰফুটুকী, ২৫০ চিতাবাঘ আছে।

চিত্ৰ - চাতুৰী

১. এই চিত্ৰ এজনী ছোৱালীৰ একাষৰীয়া চিত্ৰ। কিন্তু এই চিত্ৰতে আন এখন মুখো আছে। উলিয়াব পাৰিবা ?



২. এই চেমনীয়াই বেগেৰে ছাইকেল চলাইছে। কিন্তু আঁকোতে চিত্ৰশিল্পীয়ে কিঞ্চিত ভুল কৰিলে। কি ভুল ?

গল্প - চাতুৰী

এই গল্পত সামান্য ভুল বৈ গ'ল। কোৱাচোন কি ভুল ?

সম্ৰাটৰ মহানুভৱতা

সম্ৰাট চন্দ্ৰগুপ্তৰ নাতিয়েক অশোক এদিন উদ্যানবনত ভ্ৰমি ফুৰোঁতে হঠাৎ এটা শিলগুটি তাৰ পিঠিৰ ওপৰত পৰিলহি। অশোকৰ দেহৰক্ষীহঁতে শিলগুটি দলিউৱা নাৰী এজনীকে বন্দী কৰিলে। নাৰীজনীয়ে ক'লে, "মহাৰাজ, মোক ক্ষমা কৰক। —মই মোৰ ল'ৰা-ছোৱালীহঁতৰ কাৰণে মধুৰিআম বুটলিবলৈহে শিলগুটি দলিয়াই ছিলোঁ। সিহঁতে পুৱাৰেপৰাই নোখোৱাকৈ আছে। শিলগুটিটো লক্ষ্যভ্ৰষ্ট হ'ল, গছৰ সলনি আপোনাৰ গাত লাগিল।"

"এওঁক এশ ৰূপৰ মুদ্ৰা দিয়ক।" অশোকে তেওঁৰ মন্ত্ৰী এগৰাকীক ক'লে।

"কিন্তু মহাৰাজ—" মন্ত্ৰীগৰাকীয়ে ক'লে, "এই নাৰীজনীয়ে আপোনালৈকে শিলগুটিটো দলিয়াইছিল। এতেকে —দণ্ডহে এওঁৰ প্ৰাপ্য, পুৰস্কাৰ নহয়।"

"শিলগুটি দলিয়ালে মধুৰি আমজোপাই এওঁক মধুৰিআম ফল দিলেহেঁতেন।" সম্ৰাটে ক'লে,

সম্ৰাট এগৰাকী মধুৰিআমতকৈ মহানুভৱ হ'ব নালাগেনে ?

উত্তৰ

অশোকৰ ৰাজত্বকালত ভাৰতত মধুৰিআম নাছিল। ইউৰোপীয়সকলেহে মধুৰিআম ভাৰতলৈ লৈ আহিছিল।

ঘূৰে মূৰ-সৰে ঘাম

১. বাৰজন ল'ৰাক প্ৰতি লানিত চাৰিজনকৈ চাৰি লানিত থিয় কৰাব লাগে। কেনেকৈনো ?



২. এখন দেৱালৰ গাত বাঁও ভৰি আৰু বাঁও কান্ধ আউঁজি থিয় হৈ থকা তোমাক যদি সোঁ ভৰিখনো দাঙিবলৈ কোৱা হয়, পাৰিবানে ?

৩. কিছুমান কাল্পনিক প্ৰাণীৰ নাম খেলিমেলিকৈ দিয়া হৈছে। প্ৰতিটো প্ৰাণীৰ সঠিক নাম দিয়াঁ।



3. ইয়াত ৫টা টুপি আছে দুটা ৰঙা ৰঙৰ আৰু তিনিটা ক'লা। মোহন, ৰামন আৰু মগন নামৰ তিনিজন বন্ধুৱে তিনিটা টুপি পিন্ধিলে। আন টুপি দুটা নোহোৱা হ'ল।
ৰমন য'ত বহি আছিল, তাৰপৰা সি মগন আৰু মোহনক দেখা পাইছিল। কিন্তু মগনে কেৱল মোহনকহে দেখা পাইছিল, আৰু মোহনে কাকো দেখা নাপাইছিল। যিকি নহওক—সিহঁতে মাত-বোল কৰিব পৰিছিল। যেতিয়া তাৰ টুপি কি ৰঙৰ বুলি ৰামনক সোধা হ'ল, সি ক'লে যে সি ক'ব নোৱাৰে। মগনেও তাৰ টুপিৰ বৰণ কি—নাজানিছিল। কিন্তু ৰামনৰ উত্তৰ শুনি মগনে তৎক্ষণাৎ কৈ উঠিল যে তাৰ নিজৰ টুপিটো নিশ্চয় ক'লা ৰঙৰ হ'ব। মগনে কেনেকৈনো এই সিদ্ধান্ত কৰিছিল ?

আঁকো আহাঁ

ইংৰাজিৰ P-ৰে পেচক (ফেঁচা)

ইংৰাজী P আখৰটোক তিনিটা স্তৰেৰে তুমি টোপনিয়াই থকা ফেঁচালৈ ৰূপান্তৰিত কৰিব পাৰিবা :



সোণালী দুৱাৰ-১৩-ৰ-উত্তৰ

পৃথিবীৰ ক'ত আছে

১. লা-কাছ, দক্ষিণ-পশ্চিম ফ্ৰান্সত।

২. চিতোৰগড়, ৰাজস্থানত।

৩. উত্তৰ ট্যানজানিয়া, আফ্ৰিকা (মাউন্ট কিলিমানজাৰো)।

৪. মায়ানমাৰ (মানদেশ / বাৰ্মা)।

৫. ওৱাশ্বিংটন ডি.ছি., আমেৰিকা।

চিত্ৰ-চাতুৰী

আফ্ৰিকাত বাঘ নাই।

চিত্ৰ-সাঁথৰ

১. ছৌদি আৰব ২. চীনদেশ ৩. মিছৰদেশ ৪. জাৰ্মানি ৫. বলিভিয়া ৬. জিম্বাবোৱে ৭. স্পেইনদেশ ৮. মায়ানমাৰ ৯. ম্যাডাগাস্কাৰ।

মূৰ-ঘমন

১. ৫০ পইচীয়া আৰু ৫ পইচীয়া। এটা পঞ্চাছ-পইচীয়া নহয়, কিন্তু দ্বিতীয়টো পঞ্চাছ পইচীয়া।

২. ভাটৌটোৱেই আছিল কলা।

৩. পৰিয়ালখনত সৰ্বমুঠ ছজন।

৪. গ্ৰিণল্যাণ্ড আৱিস্কৃত নহৈছিল, কিন্তু গ্ৰিনল্যাণ্ড গ্ৰিনল্যাণ্ডতে আছিল।

৫. একেলগে দুই বন্ধু।

৬. শেহতীয়া ছোৱালীজনীক আপেল থকা বাকচটো দিব লাগিব।

৭. মিছলীয়া।

৮. যিজনৰ ভৰি ডাঙৰ।

৩৭

পাণ্ডৱৰ অৰণ্যবাসৰ তেতিয়া দ্বাদশ বৎসৰ পূৰ্ণ হওঁ হওঁ। পাণ্ডৱসকলৰ মংগলাৰ্থে স্বয়ং ইন্দ্ৰ কৰ্ণৰ ওচৰলৈ যাবলৈ প্ৰস্তুতি চলাই আছিল। ইন্দ্ৰৰ উদ্দেশ্য — কৰ্ণৰপৰা কৱচ-কুণ্ডল আনয়ন।

ইন্দ্ৰৰ মানোভিলাষ কৰ্ণ-পিতৃ সূৰ্য্যই জানিব পৰিলে আৰু সূৰ্য্য-দেৱতাই কৰ্ণক সপোনত দেখা দিলে আৰু ক'লে, "পুত্ৰ কৰ্ণ, ব্ৰাহ্মণে যি খুজিব, তুমি প্ৰদানিবা, এয়ে তোমাৰ বিশেষ-বিশিষ্ট ধৰ্ম। ইন্দ্ৰ ব্ৰাহ্মণৰ বেশত তোমাৰ কাষ চাপিব, আৰু তোমাৰপৰা কৱচ-কুণ্ডল খুজিব বুলি মই গম পাইছোঁ। তুমি কোনো অৱস্থাতেই সেই ব্ৰাহ্মণবেশী ইন্দ্ৰক কৱচ-কুণ্ডল নিদিবা। দিয়া যদি — নিশ্চিতৰূপেই মৰিবা। স্বাৰ্থবুদ্ধিসম্পন্ন কৰ্ণই কৱচ-কুণ্ডল খুজি লৈ তোমাক নিৰ্বলী কৰি পাণ্ডৱসকলক সহায় কৰিব খুজিছে।"

"হে ভগৱান, আপনি যে মোৰ বিপদ জানি উত্ৰাৱল হৈ মোক দেখা দি এইবোৰ কথা জ্ঞাত কৰিছে, তাৰেই মই ধন্য মানিছোঁ। কিন্তু—ব্ৰাহ্মণ সাধাৰণ ব্ৰাহ্মণেই হওক বা ইন্দ্ৰদেৱতায়েই হওক—খুজিলে দান নকৰাকৈ মই নোৱাৰিম। তেতিয়া মোৰ অপকীৰ্তি হ'ব। অপকীৰ্তিৰে সৈতে জীৱনধাৰণত কিবা লভ্য ?"

"বলিয়া ক'ৰবাৰ ! যদি দেহ নাথাকে— কেৱল কীৰ্তিৰে কি হ'ব ? শৱদেহকো কীৰ্তি লাগেনে ? অৰ্জুনৰ বিৰুদ্ধে থিয় দিব পৰা একমাথোন তুমিহে আছা। যদি কৱচ-কুন্তল নথকা হয়, অৰ্জুনৰ হাতত তোমাৰ মৃত্যু সুনিশ্চয় বুলি জানিবা।" সূৰ্য-দেৱতাই এই জটিল কথাখিনি কৰ্ণক বুজাই ক'লে।

'অথ ধৰ্মবক-কথা'

"হে দেৱ, মোক ক্ষমা কৰক। দান খুজিলে দান নিদিয়াকৈ মই হাত সাৰটি থাকিব নোৱাৰিম । আৰু — কৱচ-কুন্ডল নোহোৱাকৈয়ো মই অৰ্জুনক পৰাজিত কৰিব পাৰিম। পৰশুৰাম, দ্ৰোণাচাৰ্য্য প্ৰমুখ-প্ৰদত্ত অস্ত্ৰ-শস্ত্ৰ মোৰ ওচৰত আছে।" কৰ্ণই নিঃশংক চিতেৰে ক'লে।

"তুমি যদি সদযুক্তি নুশুনিবাই—কমেও আন এটি কাম কৰিবা। ইন্দ্ৰৰপৰা অমোঘ-শক্তি খুজি ল'বা। এই শক্তিয়ে শত্ৰুক বধি পুনৰ তাৰ গৰাকীৰ ওচৰলৈ উভতি আহে। ইন্দ্ৰই যেতিয়া তোমাৰপৰা কৱচ-কুণ্ডল খুজিব, তুমিও ইন্দ্ৰৰপৰা নিশ্চয় অমোঘ-শক্তি খুজি ল'বা। এই অমোঘ-শক্তিৰে তুমি অৰ্জুনকো পৰাজিত কৰিব পাৰিবা।" সূৰ্য্য দেৱতাই কৰ্ণক দুনাই সোঁৱৰাই দিলে।

তাৰ পাছত কৰ্ণই নিদ্ৰাৰপৰা সাৰ পালে। আৰু সেইদিনাই মধ্যাহ্নকালত এগৰাকী ব্ৰাহ্মণে কৰ্ণক ক'লেহি ঃ

"ভিক্ষাং দেহি!"

কৰ্ণই যথাৰৎ ব্ৰাহ্মণৰ চৰণ-বন্দনা কৰিলে আৰু ব্ৰাহ্মণক সুধিলে, "হে ব্ৰাহ্মণ, আপোনাক কি লাগে, কওক। সুন্দৰী নাৰী, উৰ্বৰা ভূমি বা খীৰতী গাভী—কি লাগে?"

"পুত্তৰ, মোক এইবোৰৰ একো-এটাও নলোগে। মোক লাগে—তযু কৱচ-কুণ্ডল।" ব্ৰাহ্মণৰূপী ইন্দ্ৰই ক'লে।

"হে ব্ৰাহ্মণোত্তম, এহি কৱচ-কুণ্ডল মোৰ প্ৰাণ-ৰক্ষক। ইয়াৰ সলনি আন যি লাগে—দিম।" কৰ্ণই ক'লে।

"নোহয়—নোহয়, পুত্তৰ, মোক এহি কৱচ-কুণ্ডলকে লাগে, আন একোৱেই নালাগে।" ইন্দ্ৰই ক'লে।

কৰ্ণই হাঁহিলে আৰু ক'লে, "মই জানিছোঁ যে—আপুনি ব্ৰাহ্মণবেশী ইন্দ্ৰ। আমাৰ দৰে সাধাৰণ মনুষ্যক আপুনি দানিব—এয়েহে বাঞ্ছিত। কিন্তু আপুনিয়েই স্বয়ং প্ৰত্যাশী হৈ আহিছে। প্ৰদাতয়েই প্ৰত্যাশী হয় যিস্থলত—দিব লাগিবই, দিম। পিছে—আপুনিও আপোনাৰ অমোঘ-শক্তি মোক প্ৰদানক।"

ইন্দ্ৰই ক'লে, "দিম। কিন্তু সেই আমোঘ-শক্তিৰে তুমি মাত্ৰ এজন মনুষ্যকহে সংহাৰ

কৰিব পাৰিবা। সেই অমোঘ-শক্তিপ্ৰয়োগৰ পাছত পুনৰ সেই অমোঘ শক্তি কিন্তু মোৰ ওচৰলৈকে উভতি আহিব।"

"মোৰ শত্ৰু মাত্ৰ একজন, আৰু মাত্ৰ সেই একজনৰ বধনেই মোৰ ল'ক্ষ্য।" কৰ্ণই ইন্দ্ৰ-দেৱতাক ক'লে।

"মই জানো—সেই একজন কোনজন। কিন্তু শ্ৰীকৃষ্ণ সহায় হৈ থকালৈকে সেইজনক বধ কৰাটো তোমাৰ পক্ষে সম্ভৱ নহ'ব।" ইন্দ্ৰই ক'লে, "আৰু—যদি এই অমোঘ-শক্তি সাধাৰণ মনুষ্যৰ ওপৰত প্ৰয়োগ কৰাঁ, এই শক্তিয়ে তোমাকেই সংহাৰিব।"

তাৰ পাছত কৰ্ণই সেই ছদ্মবেশী ব্ৰাহ্মণৰূপী ইন্দ্ৰক কৱচ-কুণ্ডল প্ৰদান কৰিলে।

* * *

কৰ্ণৰ কৱচ-কুণ্ডল নোহোৱা হোৱাৰ সম্বাদ পাই পাণ্ডৱৰ আনন্দৰ সীমা নোহোৱা হ'ল। পাণ্ডৱে ইন্দ্ৰলৈ মনে মনে কৃতজ্ঞতা জনালে।

আৰু এই সম্বাদে কৌৰৱক অগনিহেন ক্ৰুদ্ধ কৰি তুলিলে। দেৱতা এগৰাকী হৈও ইন্দ্ৰই যে এনেহেন দুষ্কাৰ্য্য কৰিব পাৰিলে—তাৰ বাবে কৌৰৱে ইন্দ্ৰলৈ ধিকাৰ ছাৰিলে।

পাণ্ডৱসকল তেতিয়া দ্বৈতবনত। এদিন এজন ব্ৰাহ্মণ তেওঁলোকৰ পিনে লৰৰি-ধাপৰি হেঁপাই-ফোঁপাই আহিল আৰু কৈ থাকিল, "মই মোৰ যজ্ঞোপৱীত গছ এজোপাৰ ঠাৰিত ওলোমাই থৈছিলোঁ। তেতিয়া এক বাৰশিঙীয়া

হৰিণা তালৈ আহিল আৰু সেই গছত নিজৰ দেহ ঘঁহি থাকিল। এই বাৰশিঙীয়াই শিঙত মোৰ উপৱীত (লগুণ) মেৰিয়াই লৈ গ'ল। এই উপৱীতৰ অবিহনে মোৰ অগ্নিকাৰ্য্য অসম্ভৱ। কৃপা কৰি মোৰ এই উপৱীত উদ্ধাৰ কৰি দিয়ক।"

পাণ্ডৱসকলে তৎমুহূৰ্ততেই বাৰশিঙীয়ালৈ টোঁৱাই বাণবৃষ্টি কৰিলে; চাওঁতে চাওঁতে সেই প্ৰকাণ্ডদেহী বাৰশিঙীয়া গভীৰ্ অৰণ্যলৈ সোমাই গ'ল।

পঞ্চপাণ্ডৱ ভাগৰি পৰিল আৰু পিয়াহত তেওঁলোকৰ অণ্ঠ-কণ্ঠ শুকাই যোৱা যেন হ'ল। ধৰ্মৰাজে নকুলক ক'লে, "তুমি ওখ বৃক্ষ এজোপাত উঠি চোৱাঁচোন—ওচৰে-



পাজৰে ক'ৰবাত সৰোবৰ আছেনে কি ?"

নকুলে বৃক্ষৰ ওপৰলৈ উঠিলে আৰু সেই ঠাইৰপৰা অলপমান আঁতৰত এক সুবিস্তীৰ্ণ সৰোবৰ দেখা পালে, আৰু বৃক্ষৰপৰা নামি আহি পানী কুঢ়িয়াই আনিবলৈ সেই সৰোবৰলৈ বুলি খোজ ল'লে।

নকুলে জল পান কৰিবলৈ সৰোবৰত নামি দিয়াৰ লগে লগেই দৈৱবাণীৰ দৰে বাণী শ্ৰুত হ'ল ঃ ৰ'বা ! মোৰ প্ৰশ্নৰ উত্তৰ প্ৰদানৰ পাছতহে এই সৰোবৰ-ৰ জল পান কৰিব পাৰিবা, নচেৎ নোৱাৰিবা . এই সৰোবৰ মোৰ সৰোবৰ।"

কিন্তু নকুলে এই কথালৈ কোনো গুৰুত্ব আৰোপ নকৰি সৰোবৰৰ জল আকণ্ঠ পান কৰিলে আৰু সেই সৰোবৰ-লজ পান কৰাৰ লগে লগে তাতেই নকুলৰ মৃত্যু হ'ল।

বহু সময় পাৰ হোৱা সত্বেও নকুল উভতি নহাত উদ্বিগ্ন ধৰ্মৰাজে নকুলক বিচাৰি সহদেৱক প্ৰেৰণ কৰিলে।

সহদেৱ সৰোবৰলৈ আহি নকুলক মৃত অৱস্থাত দেখা পাই স্তম্ভিত হ'ল। কিন্তু নকুলৰ দৰেই—সহদেৱেও সেই বাণীলৈ গুৰুত্ব নিদিলে আৰু সৰোবৰৰ পানী পান কৰিলে। আৰু সহদেৱৰো তৎক্ষণাৎ মৃত্যু হ'ল।

এইবাৰ ধৰ্মৰাজে অৰ্জুনক তালৈ পঠালে। অৰ্জুনে ভাতৃদ্বয়ক মৃতাৱস্থাত দেখা পাই বিমূঢ় হৈ পৰিল। তাৰ পাছত অৰ্জুনেও জল পান কৰি তৃষ্ণা গুচাবৰ মনেৰে যেতিয়া সৰোবৰলৈ নামিলগৈ, তেতিয়া সেই বাণী শ্ৰুত হ'ল।

অৰ্জুন কৈ উঠিল, "অলক্ষ্যত থাকি কৈছা কিয় ? যদি সাহস আছে, সন্মুখলৈ আহাঁ।" এই বুলি কৈ অৰ্জুনে বাণীৰ শব্দ লক্ষ্য কৰি বাণবৃষ্টি কৰিবলৈ ধৰিলে। তাৰ পাছত অৰ্জুনেও সৰোবৰৰ জল পান কৰিলে আৰু তৎক্ষণাৎ তেওঁৰো মৃত্যু হ'ল।

তাৰ পাছত ভীম তালৈ আহিল আৰু তোৱোঁ সেই অলক্ষ্যাগত বাণীলৈ ভ্ৰূক্ষেপ নকৰি জল পান কৰি তাতেই ঢুকাল।

শেহান্তৰত স্বয়ং ধৰ্মৰাজ ভাতৃসকলক বিচাৰি ওলাল, তেওঁ সৰোবৰৰ পাৰত মৃত ভাতৃসকলক দেখা পাই ৰোৰুদ্যমান হ'ল আৰু ঠিক তেতিয়াই সেই অলক্ষ্য-বাণীয়ে কৈ



থাকিল গুৰু-গম্ভীৰ মহাবাণী :

"মই এক বক। মই এই সৰোৱৰৰ মৎস্য আহাৰ কৰি জীৱন যাপন কৰিছোঁ। মোৰ প্ৰশ্নৰ উত্তৰ প্ৰদানত অস্বীকৃত হৈ তোমাৰ ভাতৃসৱ দেহান্তৰিত হ'ল। তুমি মোৰ প্ৰশ্নসমূহ শ্ৰৱণান্তৰ সমিধান দিয়াঁ, আৰু সৰোৱৰৰ জল যিমান লাগে পি-খোৱাঁ, লৈ যোৱাঁ। যদি তুমিও মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়া, তুমিও তোমাৰ ভাতৃসৱৰ পথকে ল'বা বুলি ধ্ৰুৱ জানিবা, তোমাৰো একেই পৰিণাম হ'ব।"

ধৰ্মৰাজে ক'লে, "মোৰ ভাতৃসকলক কোনো সাধাৰণ বকপক্ষীয়ে মাৰি পেলালে বুলি মই ভাবিব পৰা নাই। তুমি নিশ্চয়েই সাধাৰণ বক নহয়। কোৱাঁ, তুমি কোন, আৰু তোমাক কি লাগে।"

"এই কথা সঠিক, মই বক নহওঁ। মই যক্ষ।" এই বুলি কৈ, যক্ষৰাজ ধৰ্মৰাজৰ দৃষ্টিৰ সমুখত প্ৰত্যক্ষ হ'ল আৰু ক'লে, "যদি তোমাক জল লাগে, মোৰ প্ৰশ্নসমূহৰ উত্তৰ অৱশ্যেই দিয়াঁ।"

"যদি মোৰ সাধ্যায়ত্ত, নিশ্চয় প্ৰশ্নসমূহৰ উত্তৰ প্ৰদান কৰিম।" ধৰ্মৰাজে ক'লে।

তেতিয়া যক্ষই অনেক প্ৰশ্ন জিজ্ঞাসা কৰিলে, আৰু ধৰ্মৰাজেও যথাশক্তি সেই প্ৰশ্নসমূহৰ উত্তৰ প্ৰদান কৰাত ধৰ্মবকৰূপী যক্ষৰাজ পৰিতুষ্ট হ'ল।

যক্ষই ধৰ্মৰাজক ক'লে, "মই তোমাৰ উত্তৰত তুষ্ট হৈছোঁ, তোমাৰ চাৰিজন ভাতৃৰ মাজত যিকোনো এজনক মই জীৱিত কৰিম। কোৱাঁ, কাক জীৱিত কৰিম।"

"হে যক্ষ, নকুলক জীৱিত কৰি দিয়াঁ।" ধৰ্মৰাজে ক'লে।

"ভীম মহাবলী। অৰ্জুন অপাৰ পৰাক্ৰমী। তুমি এই দুজনৰ মাজত এজন সহদেৰৰ পুনৰ্জীৱন কামনা নকৰি তোমাৰ সতিয়ৈ-ভাতৃ নকুলৰ পুনৰ্জীৱন কামনা কৰিছানো কিয় ?"

"কুন্তী আৰু মাদ্ৰী হ'ল আমাৰ পিতাশ্ৰীৰ দুগৰাকী পত্নী। কুন্তীৰ পুত্ৰসকলৰ মাজত এজন—মই জীয়াই আছোঁ। কিন্তু মাদ্ৰী-পুত্ৰৰ এজনো জীৱিত হৈ থকা নাই। সেইহে— মই নকুলৰ পুনৰ্জীৱন প্ৰাপ্তিকে উচিত বিবেচিলোঁ, ধৰ্ম বুলি গণ্য কৰিলোঁ।"

ধৰ্মৰাজে ধৰ্ম-বকৰূপী যক্ষক ক'লে।

"সাধু! সাধু!" যক্ষই সানন্দে কৈ উঠিল, "তোমাৰ ধৰ্ম-বোধ জগতত অতুলন। তোমাৰ সকলো কেইজন ভাতৃয়েই এহিক্ষণ পুনৰ্জীৱিত হওক।"

আৰু চাওঁতে চাওঁতে ধৰ্মৰাজৰ চাৰিও ভ্ৰাতা একেলগে মৃতাৱস্থাৰপৰা পুনৰ্জীৱিত হৈ উঠি বহিল, যেনিবা—লাল-কাল টোপনিৰপৰা সাৰ পালে।

"আপুনি কোনোবা সাধাৰণ যক্ষও নহয়। কওক, আপুনি কোন দেৱতা?"

ধৰ্মৰাজৰ প্ৰশ্নৰ উত্তৰত যক্ষই ক'লে, "মই ধৰ্ম-দেৱতা। তোমাৰ পিতা। মই তোমাক পৰীক্ষাৰ মনেৰেহে ইয়ালৈ আহিলোঁ।" ধৰ্ম-দেৱতাই ক'লে।

"হে ধৰ্ম-দেৱ! বাৰশিঙীয়াই ব্ৰাহ্মণৰ উপৱীত লৈ গ'ল। তাৰ ফলত ব্ৰাহ্মণে অগ্নিকাৰ্য্য কৰিব নোৱাৰিব। ব্ৰাহ্মণৰ দৈনন্দিন অগ্নিকাৰ্য্যত বিঘ্ন নহওক—এই আশীৰ্বাদ প্ৰদান কৰক।" ধৰ্মৰাজে ধৰ্ম-দেৱতালৈ এই আশীৰ্বাদ প্ৰাৰ্থনা কৰিলে।

"সেই জন্তুটোক ময়েই পঠাইছিলোঁ। এয়া লোৱাঁ, ব্ৰাহ্মণৰ সেই উপৱীত—যজ্ঞসূত্ৰ। আৰু—যেইকোনো বৰ প্ৰাৰ্থনা কৰাঁ—সেই প্ৰাৰ্থিত বৰ পূৰোৱা হ'ব।" ধৰ্ম-দেৱতাই ধৰ্মযাজক ক'লে।

"আমাৰ অৰণ্যবাসৰ দ্বাদশবৰ্ষ সমাপ্ত প্ৰায়। আমাৰ প্ৰাৰ্থনা, আমাৰ অজ্ঞাতবাস যেন সৰ্বলোকৰে অজ্ঞাত থাকে, অজ্ঞাতবাস নিৰ্বিঘ্ন হয় যেন।"

ধৰ্ম-দেৱতাই ধৰ্মৰাজৰ এই প্ৰাৰ্থনাৰ উত্তৰত 'তথাস্তু' বুলি ক'লে।

পাণ্ডৱসকলে ব্ৰাহ্মণৰ যজ্ঞসূত্ৰ উপৱীত আনি দিলে, আৰু ব্ৰাহ্মণে তেওঁলোকলৈ অপাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে।

আৰু চাওঁতে চাওঁতে পাণ্ডৱসকলৰ বনবাস-কাল সমাপ্ত হ'ল।

তেতিয়া ধৌম্যই ধৰ্মৰাজক ক'লে, "অতি শীঘ্ৰে তোমালোকৰ এই অশ্ৰুতপূৰ্ব-অভাৱিত আলাই-আথানিৰো অন্ত পৰিব।" [আগলৈ

বাৰে বুৰি বাতৰি

ন-শতিকালৈ....

২০০০ চনৰ ৩১ ডিছেম্বাৰৰ ৰাতি বাৰ বজাৰ লগে লগে ২০ শতিকাৰ অন্ত পৰিব। বিংশ শতিকাৰ শেহ ১০০০ দিনৰ গণনা পাৰী নগৰীৰ ইফেল টাওৱাৰত যোৱা ৬ এপ্ৰিলৰপৰা আৰম্ভ হৈছেই। একবিংশ শতিকালৈ আহ্বান জনাবলৈ বিশ্বৰ বৰ বৰ নগৰত প্ৰস্তুতি এতিয়াৰেপৰাই চলি আছে। ২০০০ চনৰ ১ জ্যানুৱাৰিৰপৰা এই আনন্দ-উৎসৱ চলি থাকিব। ইতিমধ্যেই বিশ্বৰ প্ৰধান প্ৰধান নগৰৰ বিলাসবহুল ওট্‌ল (হোটেল) বিলাকৰ বুকিং আৰম্ভ হ'ল। নতুন শতিকালৈ প্ৰথম সাদৰ আহ্বান জনাব নিউজিল্যাণ্ডৰ ওক্‌ল্যাণ্ড নামৰ নগৰখনে।

উচ্চতম টাওৱাৰ....

বিশ্বৰ উচ্চতম টাওৱাৰ হিচাপে গিনেজ বুক অব্ ৰেকৰ্ডছত নাম উঠাবলৈ টাইৱানৰ তাইপেই আৰু দুবছৰমানলৈ ৰৈ থাকিব লাগিব। এই টাওৱাৰৰ নিৰ্মাণ যেতিয়া সমাপ্ত হ'ব, তেতিয়া ইয়াৰ উচ্চতা হ'ব ৫৫০ মিটাৰ। কেনাডাস্থ টৰণ্টোৰ ছি-এন টাওৱাৰতকৈ এই টাওৱাৰ ১০ মিটাৰ অধিক ওখ হ'ব। টোকিঅ' টাওৱাৰ (৩৩৩ মিটাৰ), ইফেল টাওৱাৰ (৩৩০ মিটাৰ) আদি তাইপেৰ এই টাওৱাৰৰ কাষত বাওনা যেনহে লাগিব। তাইপেৰ এই টাওৱাৰ নিৰ্মাণৰ খৰচনো কিমান ? মুঠমাঠ ৭৩,০০০,০০০ আমেৰিকীয় ডলাৰ !

মহাযজ্ঞ-মহানাম

এই বছৰৰ ৰামনৱমীৰ উছৱ ১৬ এপ্ৰিলৰ দিনা পালিত হ'ল। পাঁচ দিনৰ আগতেৰামায়ণত বৰ্ণিত সৰযূ নৈৰ তীৰত এক মহাযজ্ঞ পতা হৈছিল, যি-সৰযূ নৈ অতিক্ৰমি ৰামচন্দ্ৰই ১৪ বছৰৰ বাবে বনবাসলৈ গৈছিল। এই মহাযজ্ঞ ১৯৯৮ চনৰ ২০ এপ্ৰিলৰ দিনা সমাপ্ত হ'ব। এই মহাযজ্ঞৰ বাবে ২১০০০ পণ্ডিতক নিযুক্ত কৰা হৈছে, যিসকলে ছেদভেদ নোহোৱাকৈ ৰাম-সীতাৰ মহানাম আওৰাই থাকিব।

ফৰাছি গ্ৰন্থছাহিব....

শ্বিখসকলৰ পৱিত্ৰ পুস্তক, গ্ৰন্থ ছাহিব, এয়ে প্ৰথম বাৰৰ বাবে ফৰাছি ভাষালৈ অনূদিত হ'ল। ২৬ পতীয়া মুখপাতৰে সৈতে এই গ্ৰন্থত ১,৬৭৬ পৃষ্ঠা আছে। ড০ জামাইল সিঙে এই অনুবাদ কৰিলে। ড০ জামাইল সিং আছিল কেনাডীয় চৰকাৰৰ অন্যতম বিষয়া। তেওঁ যেতিয়া অৱসৰপ্ৰাপ্ত হ'ল, তেতিয়া তেঁও এই অনুবাদৰ কাৰ্য্য হাতত ল'লে। আৰু একেৰাহে ১২ বছৰ ধৰি অনুবাদ কৰি সমাপ্ত কৰিলে। এই কাৰ্য্য হাতত লোৱাৰ আঁৰৰ কথা আছিল এয়ে যে শ্বিখসকলৰ এক বুজন অংশ কেনাডাতে থাকে, আৰু তেওঁলোকৰ মাজত ইংৰাজি-ভাষী আৰু ফৰাছি-ভাষীও সমসংখ্যকেই আছে। কেনাডাৰ বাহিৰেতো বিশ্বৰ ৪০ খন দেশত ফৰাছি ভাষাৰে মাত-বোল কৰা হয়, আৰু সকলোতেই অল্পাধিক শ্বিখ জনগোষ্ঠী আছে। আনকি, ভাৰততো ফৰাছি-ভাষী ঠাই নথকা নহয়, যেনে— পণ্ডিচেৰি, কাৰাইকল, মাহে, য়ানাম আদি ঠাইবোৰ। এইবোৰ ঠাইৰপৰা ৪০ বছৰৰ আগতেই ফৰাছি-শাসকসকল গ'লগৈ, কিন্তু তেওঁলোকৰ অপূৰ্ব তাৰ-গধুৰ ভাষা শিপাই থাকি গ'ল।

কান্দিলে কল পায় কেনেকৈ

কেঁচুৱাহঁতৰ কান্দোন-আচলতে মাতৃ-পিতৃ-ভাতৃ আদিৰ বা অন্যান্যৰ সৈতে যোগাযোগ স্থাপন। মাকৰ স্তন্যদুগ্ধৰ বাবে, বা নিৰাপত্তাৰ বাবে, বা অন্যান্য বিষয়ত দৃষ্টি-আকৰ্ষণৰ্ বাবেহে কেঁচুৱাহঁতে কান্দি কল পাবলৈ বিচাৰে। বিজ্ঞানীসকলে কেঁচুৱাসকলৰ কান্দোনৰ বিভিন্ন ধৰণলৈ লক্ষ্য কৰি সিহঁতৰ বক্তব্য উদ্ধাৰ কৰাৰ বাবে চেষ্টা চলাইছে। এই বিষয়ে আমেৰিকাৰ স্পিচ ৰিকগনিশ্যন অ্যাণ্ড ল্যাঙ্গুৱেজ আণ্ডাৰস্ট্যাণ্ডিং ল্যাবোৰেটৰিয়ে কেঁচুৱাহঁতৰ বিভিন্ন ধৰণৰ কান্দোন টেপৱদ্ধ কৰি লৈছে— সিহঁতৰ কান্দোনৰ সঠিক অৰ্থ উলিয়াবলৈ চেষ্টা কৰিছে। সিহঁতক ঠিক কি লাগে কেনেকুৱা কল পাব লাগে—গাখীৰ নে কম্বল নে আঠুৱা নে অন্য কিবা—সেই কথা হয়তো আগলৈ কন্দাৰ ধা-ধৰণে ফটফটীয়াকৈ কৈ দিব পৰিব।

বৰ্ণময় সূৰ্য্য-মন্দিৰ

ওড়িশাৰ বিখ্যাত কোনাৰ্ক-মন্দিৰ ১৩ শতিকাত সজা হৈছিল। এই মন্দিৰ সূৰ্য্য-দেৱতালৈ উৎসৰ্গ কৰা হৈছিল। ভাৰতৰ উচ্চতম মন্দিৰসমূহৰ মাজত কোনাৰ্কৰ সূৰ্য্য-মন্দিৰো অন্যতম (২০০ ফুট)। মন্দিৰৰ প্ৰবেশ-পথৰ দুয়ো কাষতে অশ্ব-শিল্প উৎকীৰ্ণ। সমগ্ৰ মন্দিৰ যেনিবা এখন সুবৃহৎ ৰথ। কিংবদন্তি মতে, এই ৰথত উঠি সূৰ্য্য-দেৱতা স্বৰ্গলৈ গৈছিল।

©1997 UBC Feature World. All rights reswrved

গঙ্গাৰাজবংশৰ ৰজা নৰসিংহদেৱৰ আমোলত ১২০০ ভাস্কৰে ১৬ বছৰ জোৰা শ্ৰমেৰে এই অপূৰ্ব কাৰু-কাৰ্য্যময় বৰ্ণময় সূৰ্য্য-মন্দিৰ সাজি উলিয়াইছিল। নিৰ্মাণত আনুমানিক ৪০ কোটি মুদ্ৰা ব্যয়িত হৈছিল।

ওড়িশী নৃত্যধাৰাই আমাক এই কোণাৰ্ক সূৰ্য্য-মন্দিৰ গাত থকা বিভিন্ন মূৰ্তি-চিত্ৰিৰ অংগ-ভংগীৰ কথা সোঁৰৰাই দিয়ে আৰু চিত্ৰ-নৃত্যই মিলি হৃদয়-মনক আপ্লুত কৰি তোলে।

জনশ্ৰুতি আৰু ৰৈক্ক

জনশ্ৰুতি আছিল সুদক্ষ ধৰ্মপৰায়ণ ৰজা। তেওঁ প্ৰতিদিনেই তেওঁৰ গুপ্তচৰহঁতৰ যোগেদি প্ৰজাৰ সুখ-দুখৰ খবৰ লৈছিল আৰু তাৰ পাছতহে নিদ্ৰমগ্ন হৈছিল। কোনোবা দিনা কোনোবা প্ৰজাৰ কিবা শোক-দুখৰ বা বিপদ-বিঘিনিৰ সম্বাদ পোৱামাত্ৰেই ৰজা জনশ্ৰুতিয়ে প্ৰজাৰ সেই সমস্যাৰ সমাধান কৰিহে নিঃচিন্তে নিদ্ৰা দিছিল।

এদিন এক জোনাকৰাতি ৰাজপ্ৰাসাদৰ ওপৰেদি এজাক ৰাজহাঁহ উৰি উৰি গৈ আছিল আৰু হাঁহবিলাকে কৈ আছিল : "এই ৰাজভৱনৰ ওপৰত এক বিচিত্ৰ মূৰ্তি দেখিছানে ?"

"ওঁ—ওঁ—" দ্বিতীয় ৰাজহাঁহে ক'লে, "সেইজন হ'ল ৰজা জনশ্ৰুতি। তেওঁ ধৰ্মপৰায়ণ, সত্যব্ৰতী, কৰ্তব্যনিষ্ঠ শাসক। সেই কাৰণে তেওঁৰ মাজত উজ্জ্বলতা ফুটি ওলাইছে।"

"ৰজা জনশ্ৰুতি ধৰ্মপৰায়ণ-সত্যব্ৰতী—মানি ল'লোঁ। কিন্তু ৰৈক্ক ৰজাৰ দেহৰ জ্যোতি-দ্যুতি ৰজা জনশ্ৰুতিতকৈ ঢেৰ অধিক।" বয়সস্থ ৰাজহাঁহ এটাই ক'লে। আৰু তাৰ পাছত হাঁহবোৰক মেঘে আঁৰ কৰি পেলালে।

ৰজা জনশ্ৰুতিয়ে হাঁহবিলাকৰ কথা শুনি ভাল পাইছিল। এই কথাশুনি অধিক ভাল পাইছিল যে—তেওঁতকৈয়ো জ্যোতিৰ্ময়-ৰজা এগৰাকী আছে—যিগৰাকী ৰজা তেওঁতকৈয়ো জ্যোতিৰ্ময়-ধৰ্মময়।

ৰজা জনশ্ৰুতিয়ে সেই নিশা সুখৰে নিদ্ৰা গ'ল। পাছদিনা তেওঁ তেওঁৰ মন্ত্ৰিবৰ্গপৰা ৰৈক্ক ৰজাৰ বিষয়ে-জ্ঞাত হ'ল আৰু সেইদিনাই ৰৈক্ক ৰজাৰ ওচৰলৈ যাবলৈ ওলাল।

ৰৈক্ক ৰজাৰ সৈতে বাৰ্তালাপ কৰি ৰজা জনশ্ৰুতি মুগ্ধ হ'ল, তেওঁ তেওঁৰ পুত্ৰীক আৰু লগতে তেওঁৰ ৰাজ্যখনো ৰৈক্ক ৰজাৰ হাতত সমৰ্পিৰ বুলি ক'লে।

জনশ্ৰুতি আছিল বিনয়নম্ৰ ৰজা। কোনো ৰাজকীয় গৌৰৱে তেওঁক স্পৰ্শও কৰিব পৰা নাছিল। নিজতকৈও উন্নত ৰজা এগৰাকীক পাই জনশ্ৰুতিয়ে ঈৰ্ষাৰ সলনি আনন্দহে পাইছিল, প্ৰেম আৰু শ্ৰদ্ধাৰে মূৰ দোঁৱাইছিল। ৰজা জনশ্ৰুতি আছিল প্ৰকৃততেই মহান ৰাজর্ষি+

বিশেষ-বিনোদ

©1997 UBC Feature World. All rights reserved

অপেৰা হ'ল এক সংগীত-নাটক-প্ৰক্ৰিয়া। এই গীতি-নাট্যত গায়ক-গায়িকায়ো অভিনয় কৰে। এদল বাদক লগতেই থাকে। অতি অদ্ভুত-অপৰূপ ধৰণৰ দৃশ্যপট থাকে। এই গীতি-নাট্যৰ আৰম্ভণী ষোড়শ শতিকাত। গ্ৰিক-ৰোম্যান পুৰাণৰপৰা এইবোৰ গীতি-নাট্যৰ সমল লোৱা হয়। কেইবাশও বছৰ ধৰি এনেবোৰ গীতি-নাট আছিল অভিজাত শ্ৰেণীৰ বিশেষ বিনোদ। অষ্টাদশ শতিকাৰ মাজভাগৰপৰা এই গীতি-নাট্য ইউৰোপৰ সৰ্বত্ৰ সৰ্বসাধাৰণৰ মাজত প্ৰকাশিত-প্ৰদৰ্শিত হৈছিল আৰু দৰাচলতে তাৰ ফলস্বৰূপেই এই পৃথিৱীখনত ৰঙ্গমঞ্চৰো আবিৰ্ভাৱ ঘটিছিল।

পদুম-দ'ল



©1997 UBC Feature World. All rights reserved

পদুমৰো দ'ল হয়নে বাৰু ? অসম্ভৱ যেন লাগে, যদিও সাঁচে-কাটে সঁচা। আৰু এই পদুম-দ'ল আছে ভাৰতৰ দিল দিল্লীতে ! প্ৰায় ৮০০ শিল্পী-শ্ৰমিকে চাৰে ছয় বছৰলৈ দিনে-নিশাই শ্ৰম কৰি পদুমৰ এই দ'লটি সাজি উলিয়ালে। এই পদুম-দ'ল নিৰ্মাণৰ খৰচনো কিমান ? প্ৰায় ১২ মিলিয়ন ডলাৰ। এই পদুম-দ'লক বাহাই দ'ল বুলিও কোৱা হয়। দ'লৰ ভিতৰফালত তিনি আৰু বাহিৰ-ফালত নওটা পদুম-পাহি আছে। পদুম-দ'ল শ্বেতশুভ্ৰ বৰণৰ। এই দ'ল নিৰ্মাণতে কোৰিয়াৰপৰা ছিমেণ্ট অনোৱা হৈছিল।



ভক্তবৈশ্য–ভগৱন্ত

কিন্তু তথাপি ৰজা মহৎহৃদয়ৰ অন্তৰ সেই দুখীয়াৰ প্ৰতি কোমল নহ'ল। এটা অতি সাধাৰণ দুখীয়াৰো ইমান সাহস হ'ব পায়নে যে দেশৰ ৰজাৰ কথাও অগ্ৰাহ্য কৰিব ? ইমান কোৱা সত্বেও, ইমানকৈ বুজোৱা সত্বেও সি দুখীয়াই তাৰ ক'ৰবাৰ কোন ধ্ৰুবৰৰীৰপৰা অহা ভগৱানকহে সুঁৱৰি থাকিব—ৰজাক অগ্ৰাহ্য কৰিব—অসহ্য ! এতেকে—মন্ত্ৰিবৰ্গৰ সৈতে আলচ-বিলচৰ অন্তত দৰাচলতে তেওঁ নিজৰ কঠোৰ মততে স্থিৰ হৈ থাকিল, যদিও মন্ত্ৰিবৰ্গই —চিকা মাৰি হাত নোগোন্ধাবলৈহে ৰজাক সজৰো সজ পৰামৰ্শ আগবঢ়াইছিল।

ৰজা মহৎহৃদয়ে দুখীয়াক মতাই অনালে আৰু ক'লে, "তোমাক সঁচাসঁচিকৈয়েই ৰাক্ষসদ্বীপলৈ নিৰ্বাসিত কৰা হ'ব। যদি ছমাহলৈ তাত তোমাৰ ভগৱানে তোমাক জীয়াই ৰাখিব পাৰে—ঠিক ছয় মাহৰ অন্তত, ঠিক এই দিনত এই ক্ষণতে এই একেইখন নাও তোমাক ওভোতাই লৈ আহিবলৈ যাব। নাৱৰীয়াহঁতে তোমালৈ কমেও এপৰলৈ বৈ থাকিব, তাৰ পাছত কিন্তু আৰু কাহানিও কোনোৰেই তোমাক লৈ আহিবলৈ নাযাব।"

কেইক্ষন্তেকমান নিমাতে থাকি ৰজাই পুনৰ সেই দুখীয়াক ক'লে, "এতিয়াও সময় উকলি যোৱা নাই। যদি ভগৱানৰ নাম পাহৰি পেলাবা বুলি কথা দিয়া — তোমাক নপঠাওঁ।"

কিন্তু দুখীয়া মানুহজনে মান্তি নোহোৱাত ৰজাৰ নাৱৰীয়াহঁতে যেতিয়া দুখীয়াক ৰাক্ষস দ্বীপত এৰি থৈ গুচি আহিল, তেতিয়া বেলিয়ে খাওঁ খাওঁ মূৰ্তি ধৰিছিল, কিন্তু সেই নিমাওমাও দ্বীপ ওপৰত প্ৰচণ্ড বায়ু বলি থকাত বেলিৰ বৰ তাপ মুঠেই অনুভূত নহৈছিল।

নাও আৰু নাৱৰীয়াহঁত যেতিয়া আৰু নেদেখা হৈ পৰিল, তেতিয়া সেই সগৰ্জন

প্ৰশান্ত মহন্ত

সাগৰৰ পানীয়ে আগুৰা আনকি এটা চৰাইৰ মাতো নোহোৱা নিঃশব্দ-নিৰ্জন দ্বীপত তটভূমিত অকলশৰীয়া দুখীয়াই যেনিবা অসাৰ হৈ বহি পৰিল।

অকস্মাৎ এনেহেন কেও-কিছু নথকা গভীৰ অৰণ্য-সমন্বিত ৰাক্ষস থকা নিৰল-নিৰ্জন দ্বীপত দুখীয়াই নিজক বৰ অসহায় বোধ কৰি থাকিল আৰু নিজৰ অজানিতে তাৰ কন্ঠভেদি ওলাই আহিলঃ। "হে ভগৱান! মোক তুমি কিয়নো এই দণ্ড বিহিলা ? ইয়াত মই কেনেকৈনো জীয়াই থাকিম ? হে ভগৱান ! সেই ভয়ংকৰ ৰাক্ষসে মোক ধৰি খোৱাৰ আগতেই মোক তুমিয়েই মাৰি পেলোৱাঁ।"

আৰু এসময়ত সুতীব্ৰ হতাশা আৰু দুৰ্বলতাৰ কবলত পাৰি আচ্ছন্ন হৈ সমুদ্ৰ-তটতে অৰ্দ্ধমৃতৰৎ পৰি থাকিল।

যেতিয়া সি সাৰ পালে, তেতিয়া বেলিয়ে লাহ দি ৰাঙলী বৰণ লৈছে। তেতিয়া দুনীয়াৰ দুচকুৰ আগত অনাগত ৰাত্ৰিৰ ডাঠ অন্ধকাৰৰ নতুন ভীতিয়ে তাৰ সুদীৰ্ঘ বাহু বিস্তাৰিত নাচি নাচি আগুৰাই আহিব ধৰিছে ....।

হঠাৎ দুখীয়াৰ মনত পৰিল ৰাক্ষসৰ কথা। ৰাক্ষসবিলাকে মুহূৰ্ততে মানুহৰ গোন্ধ পায়, আৰু সেই গোন্ধ শুঙি আহি ধৰি কপকঁকৈ গিলি খায়। — কিন্তু এই ৰাক্ষসটো নাহিলনো কিয় ? কথাটো ভাবি সি আচৰিতেই মানিলে, আৰু পুনৰ ভাবিলে ; তেনেহ'লে এই দ্বীপত সেই ৰাক্ষসটো নাইনে কি ?

এইবোৰ সাতে-সোতৰই ভাবি ভাবি এসময়ত সি নিজেই ক'ব নোৱাৰাকৈ পুনৰ

টোপনিত লাল-কাল দিলে।

ৰাতি পুউৱাৰ লগে লগেই সি সাৰ পাই নিজক নিজেই চিকুটি চালে যে সি তেতিয়ালৈকো জীয়াই আছে।

এইবাৰ সি উঠি থিয় হ'ল, আৰু ভালেসি ভালেখিনিলৈকে ৰাক্ষসৰ ভীতিৰপৰা মুক্ত হৈ দ্বীপৰ সুন্দৰী অৰণ্যানীৰ ফালে এখোজ-দুখোজকৈ আগবাঢ়ি থাকিল। এইদৰে দি বহুপৰলৈকে ভ্ৰমি থাকিল, আৰু সেই শোভাময়ী অৰণ্যানীৰ গছে-গছে ওলমি থকা বিধোবিধ ৰসাল ফল বুটলি বুটলি খাই থাকিল। যেতিয়া সন্ধ্যা নামিল, তেতিয়া সি আন কোনো আশ্ৰয় নিবিচাৰি, অৰণ্যৰ আশ্ৰয়কে সাৰোগত কৰি, নিঃসাৰে নিদ্ৰামগ্ন হৈ থাকিল।



এই দ্বীপক যে ঈশ্বৰেই ৰাক্ষসহীন কৰিলে, আৰু তাৰ কাৰণেই কৰিলে—সেই কথাত দুখীয়াৰ মনৰ কোনো চুকতে সন্দেহ নাথাকিল, আৰু সি আনন্দৰ আবেগেৰে কান্দি কান্দি ভগৱন্তলৈ ওলগনি জনাই থাকিল।

এইবাৰ দুখীয়াৰ সাহস দহোগুণে বাঢ়ি গ'ল। সকলো চুকে-কোণে নিৰভয় মনেৰে চকৰি ঘূৰাদি ঘূৰি থাকোঁতে এদিন এঠাইত এজোপা মহাবৃক্ষৰ তলত কিছুমান বস্তু-সামগ্ৰী পৰি থকা দেখি সি বস্তুখিনি খুলি-মেলি চাই তৰধেই মানিলে। সেইখিনি আছিল—নানান ধৰণৰ নানান বৰণৰ ৰত্ন, মুকুতা, সোণৰ চেকুৰা ইত্যাদি। এইবোৰ যে সেই ৰাক্ষসে ধৰি খোৱা এই দ্বীপৰ বাটেদি মাৰ-নাৱেৰে যোৱা বণিজাৰুসকলৰ বৰ্নিজিৰ বস্তু-সামগ্ৰী, সেই কথাত সন্দেহৰ লেশমানো তাৰ মনত নাজাগিল। সি দৌৰি দৌৰি সমুদ্ৰতটলৈ গ'ল, আৰু তাত পৰি থকা ৰজাৰ নাৱৰীয়াহঁতে এৰি থৈ যোৱা মোনা কেইটামান লৈ পুনৰতালৈ গৈ ৰত্ন-মুক্তা-সোণৰ চেকুৰাখিনি ভৰাই ল'লে।

আৰু তাৰ পাছত—সেই ঠাই এৰি উভতি খোজ লওঁতেই অলপমান আঁতৰত পৰি থকা অতি সৰু এটি চামৰাৰ মোনা দেখা পাই সি বেগাই সেইপিনে যাবলৈ ধৰাত উজুটি খালে আৰু এইদৰে তাৰ হাত, ভৰি, থুতুৰি আদি জখম কৰি পেলালে। কিন্তু জখম হোৱা সত্বেও সি সেই সৰু মোনাটো বুটলি লৈ খুলি চালে আৰু খুলি চোৱাৰ লগে লগেই তাৰ দুচকুত এক তীব্ৰ পোহৰে চাট মাৰি ধৰিলে।

এই সৰু মোনাটোৰ ভিতৰত আছিল এডোখৰ ঔষধি-মণি। দুখীয়াই এই মণি হাতত

এইদৰে, পাঁচদিন পাৰ হ'ল। দুখীয়াই দ্বীপৰ গভীৰ অৰণ্যক এতিয়া ইমানেই ভাল পাই পেলাইছে যে—এই সুগভীৰ অৰণ্যক সি তাৰ একান্ত আপোন বুলিহে ভাবি থাকিল, পৰম বিশ্বস্ত বন্ধুহেন গণি থাকিল, কিন্তু—ছয়দিনৰ দিনা হঠাৎ এটা দৃশ্য দেখি তাৰ সৰ্বদেহ জিকাৰ খাই উঠিল।

এঠাইত এটা বিৰাট জকা পৰি আছিল। ইমান ডাঙৰ জকা যে কোনো মানুহৰ নহয়—সেই কথা দেখ দেখ। — তেনেহ'লেনো কি ? কিহৰ ? হঠাৎ তাৰ উপলব্ধি হ'লঃ এই জকা নিশ্চয় সেই ভয়ানক ৰাক্ষসটোৰেই জকা। সি নিশ্চয় কেনেবাকৈ মৰিল। আৰু সেই কাৰণেই ৰাক্ষসদ্বীপলৈ নিৰ্বাসিত হৈও সি জীয়াই থাকিল।

লোৱাৰ লগে লগেই তাৰ জখম হোৱা ঠাইবোৰ চকুৰ পচাৰতে ভালহৈ গ'ল।

দুখীয়াৰ মন-প্ৰাণত তেতিয়া পাৰ-ওপোচা আনন্দৰ ঢৌ বাগৰি গ'ল আৰু সি ভগৱানলৈ কৃতজ্ঞতা জ্ঞাপি আঁঠু কাঢ়ি বহু পৰলৈকে তলমূৰ হৈ বহি থাকিল।

পাছদিনা, পূবে ধলফাট দিয়াৰ লগে লগেই দুখীয়াই সেই বিস্তীৰ্ণ সাগৰৰ বুকুত ক'লা বিন্দু যেন এটা দেখা পাই কৌতূহলী হৈ তাতেই থিয় হৈ চাই থাকিল। লাহে লাহে সেই বিন্দুটো এখন বিৰাট নাও হৈ গ'ল আৰু নাৱৰীয়াহঁতকো স্পষ্টকৈ দেখা গ'ল। দুখীয়াই সেই নাওখনলৈ লক্ষ্য কৰি হাত-মূৰ জোকাৰি টেঁটু ফালি চিঞৰি থাকিল। পোনতে এই চিঞৰে কোনো গুণ নিদিলে, কিন্তু পাছত সেই নাৱৰ আৰোহীহঁতে দুখীয়া মানুহজনক দেখা পালে আৰু তাক তাৰ সিহঁতৰ নাৱত উঠাই ল'লে।

এই নাওখন আছিল বণিজাৰুহঁতৰ নাও। বণিজাৰুহঁতে এই দুখীয়াক নানা প্ৰশ্ন কৰিবলৈ ধৰিলে। বণিজাৰুহঁতে দুখীয়াক সুধিলে, "তুমি—কোন ? এই ৰাক্ষস-দ্বীপলৈ কিয় আৰু কেনেকৈ আহিছিলা ? আৰু — ৰাক্ষসদ্বীপলৈ আহি ৰাক্ষসৰ হাত কেনেকৈ সাৰিলা ? তোমাৰ নাম কি ? তোমাৰ জীৱিকা কি ? —ইত্যাদি নানান ধৰণৰ প্ৰশ্নেৰে দুখীয়াক থকা-সৰকা কৰিবলৈ ধৰিলে।

দুখীয়াই ক'লে, "মহাশয়সকল, মোৰ নাম শিৱদাস। মই কুন্তীনসদেশৰ প্ৰজা, ক্ষুদ্ৰ বেপাৰী মাথোন। সাগৰ পাৰ হৈ বেহা-বেপাৰ কৰিম—দীৰ্ঘকাললৈ এই আশা মনত আছিল,



কিন্তু মোৰ বন্ধু এজনে মোৰ এই আশাৰ মূৰত সদায়েই চেঁচা পানী ঢালিছিল। তাৰ পাছত—বহুদিনৰ পাছত আন এগৰাকী সাহিয়াল মানুহৰ সৈতে মোৰ চিনাকি হ'ল আৰু তেঁত মোক সমুদ্ৰ পাৰ হোৱাৰ বিষয়ে উৎসাহিত কৰাৰ উপৰিও ধনেৰেও সহায় কৰা হ'ল। তেৱেঁই মোক ধনৰ উপৰিও নানান খাদ্য-সামগ্ৰীৰে সৈতে এই দ্বীপলৈ লৈ আহিছিল, আৰু মোক এই দ্বীপৰ বা-বিবৰণ ল'বলৈ এৰি থৈ গৈছিল। এমাহৰ অন্তত তেওঁ মোক ইয়াৰপৰা পুনৰ লৈ যাব বুলি কৈছিল, যদিও—মই দহ দিনতে দ্বীপৰ জানিবলগাখিনি জানি, আপোনালোকৰ নাও দেখা পাই, আপোনালোকৰ লগ ল'লোঁ।"

দুখীয়াৰ কথাত আচৰিত মানি বণিজাৰুহঁতে তাক সুধিলে, "ৰাক্ষসদ্বীপত দহদিন—



কেনেকৈ কটালা? তোমাক ৰাক্ষসটোৱে ধৰিব নোৱাৰিলে যে—কথা বৰ আচৰিতেই নহয়নে? তেনেহ'লে—আচলতে—এই দ্বীপত কোনো ৰাক্ষস-তাক্ষস নায়েইনে কি?"

"মইনো কেনেকৈ ক'ম সেই কথা? পিছে—মই যে ভগৱন্তৰ কৃপাৰে ৰাক্ষসৰ কবলত পৰা নাই—দেখিছেই।" দুখীয়া শিৱদাসে ক'লে।

এই বেপেৰুৱা নাওখন আছিল শিৱদাসৰ দেশ কুন্তীনসদেশৰ চুবুৰীয়া মাতঙ্গদেশৰ বেপেৰুৱা নাও, আৰু সেইখন দেশৰে বণিজাৰ। এই বেপেৰুৱা নাওখন চাৰি-পাঁচখন দ্বীপলৈ যাব আৰু সৰ্বশেষত যাব লঙ্কাদ্বীপলৈ। এই নাৱত যিমান বণিজাৰ আছিল, তাৰ মাজত সৰাতোকৈ ডাঙৰ বণিজাৰগৰাকীৰ নাম আছিল মণিকুণ্ডল। দুখীয়া শিৱদাসে বণিজাৰ মণিকুণ্ডলৰসৈতে কথা পাতি অতি ভাল পালে আৰু তেওঁৰপৰা বেপাৰ-বণিজৰ বহু মহত্বপূৰ্ণ-ৰহস্যপূৰ্ণ সাৰকথা শুনিলে।

গৈ গৈ সেই বিৰাট বেপেৰুৱা নাওখনে নাৰিকেলদ্বীপ নামৰ বিৰাট দ্বীপ এখনত ৰ'লগৈ। তেতিয়া মণিকুণ্ডলে শিৱদাসক ক'লে, "শিৱদাস, ইয়াত নাৰিকলেৰে নানানবিধৰ আ-অলঙ্কাৰ বনোৱা হয়, আৰু অতি কম দামত পোৱা যায়। আৰু—আমি আন যিবোৰ দ্বীপলৈ যাম, সেইবোৰ দ্বীপত নাৰিকলেৰে তৈয়াৰী এইবোৰ অলঙ্কাৰ বিক্ৰী হয়।"

মণিকুণ্ডলে শিৱদাসক লগতলৈ সেই দ্বীপৰ বৃহৎ বজাৰলৈ গ'ল আৰু নাৰিকলৰ অলঙ্কাৰ বাদেও ঢেৰ লাগতিয়াল বস্তু-সামগ্ৰী কিনি নাৱলৈ লৈ বহা হ'ল।

হঠাৎ এদিন মণিকুণ্ডল উজুটি খাই বেয়াকৈ জখম হ'ল। মূৰত আঘাত লাগিছিল, আৰু মূৰ ফাটি তেজো ওলাইছিল। ঘটনাটো সাঁজ লাগি ভগাৰ লগে লগে ঘটিছিল। বনৌষধিৰে—লতা-পাত-শিপাৰ ৰসেৰে তেজ ওলোৱা বন্ধ হ'ল, কিন্তু মূৰৰ বিষত মণিকুণ্ডল গভীৰ ৰাতিলৈকে কেঁকাই থাকিল, কঁকৰাই থাকিল।

সেই বৃহৎ নাওখনত মণিকুণ্ডলৰ বাবে আছুতীয়াকৈ এটি কক্ষ আছিল। সেই কক্ষত অকলেই শুই থাকি মণিকুণ্ডলে জখমৰ কেঁকনি সহি থাকিল।

তেতিয়া মাজ নিশা। হঠাৎ কেঁকাই থকা মণিকুণ্ডলে তেওঁৰ কক্ষৰ ভিতৰত—তেওঁৰ বিছনাৰপৰা কিছু আঁতৰত—আন্ধাৰৰ গাত

ভেজা দি কোনোবা এক ছায়ামূৰ্তিক বহি থকা দেখা পাই খৰধৰকৈ চাকিটো জ্বলালে আৰু সেই ছায়ামূৰ্তিক ক'লে, "তুমি —! ইয়াত ? শিৱদাস—এই মাজনিশা—তুমি —?"

শিৱদাসে ধীৰ কন্ঠৰে ক'লে, "আপোনাৰ কাতৰ কেঁকনি সহিব নোৱাৰি আহিলোঁ । আপুনি শোৱক, বহি থাকিব নালাগে।"

শিৱদাসে মণিকুন্ডলৰ মূৰত মেৰিয়াই বন্ধা পটি সোলোকাই পেলালে আৰু তাৰ চোলাৰ জেপত ভৰাই লৈ অহা সেই ঔষধি-মণি মণিকুন্ডলৰ মূৰত লাহেকৈ ছোৱালে। আৰু পাছ মুহূৰ্ততেই মণিকুন্ডলৰ মূৰৰ বিষ গুচিল, কঁৰকঁৰনি নোহোৱা হ'ল, কটা ঠাই যোৰা লাগিল । তেওঁ চকুৰ পচাৰতে পৰিপূৰ্ণ ৰূপে সুস্থ হৈ উঠিল।

বিস্ময়ত বোবাহেন হৈ পৰা মণিকুন্ডলে শিৱদাসক বহু চেষ্টাৰে ক'লে, "এয়ানো—এয়া কি — শিৱদাস ? তুমি — তুমি বাৰু সঁচাকৈয়েই বেপাৰীনে ? কোৱাঁ, সত্য কথা কোৱাঁ —।"

. দুখীয়া শিৱদাসে কিঞ্চিতাৰলৈ হেঁহো-নেহো কৰি থকাৰ অন্তত কৈ থাকিল, "এই প্ৰশ্নৰ সন্মুখীন হোৱাৰ ভয়তেহে ইমান সময় ধৰি আপোনাক সুস্থ কৰি তুলিব পৰা নাছিলোঁ। কিন্তু ৰাতিৰ নিজম পৰতে আপোনাৰ কেঁকনি-গেঁথনি-কঁৰকঁৰনি মোৰ অসহনি হ'ল আৰু এই কাম নকৰিম বুলি ভাবিও কৰি পেলালোঁ—" তাৰ পাছত মণিকুন্ডলৰ হাত দুখনত ধৰি শিৱদাসে পুনৰ কৈ থাকিল, "মহাশয়, আয়ুত, বুদ্ধিমত্তাত, বা যেইকোনো বিষয়তেই আপুনি মোতকৈ বহুগুণে উত্তম । দয়া কৰি মোৰ অতীতৰ বিষয়ে মোক একো নুসুধিলেহে মই কৃতজ্ঞ হৈ থাকিম। মাত্ৰ এটা কথা আপোনাক ক'ম,ধৈৰ্য্যেৰে শুনিব । অতীতত, বৰ্তমানত, আৰু মৱিষ্যততো মই ভগৱন্ততে নিৰ্ভৰশীল হৈ আছিলোঁ বাৰু আছোঁ, আৰু নিৰ্ভৰশীলহৈ থাকিম । মই ভগৱৎ-বিশ্বাসী, আৰু আপোনাক কওঁ—এই ভগৱৎ-বিশ্বাসেই মোৰ বৰ্তমান অৱস্থাৰ কাৰক —এয়ে মোৰ এতিয়াৰ ঘটনাৰ গুৰিকথা । মোক বিশ্বাস কৰক, আৰু আশীৰ্বাদ কৰক।"

শিৱদাসৰ কথা শুনি স্তব্ধ স্তম্ভিত হৈ পৰা মণিকুন্ডলে শিৱদাসৰ মূৰত হাত থৈ আশীৰ্বাদ কৰিলে।

[অহা সংখ্যাত অন্ত



বেদ্‌লা চাই বেজালি

চিন্তামণি আছিল চিকটাৰো চিকটা, কিন্তু দহোখন গাঁৱৰ মাজত অপৰিমিত ধনৰ গৰাকী। যোত্ৰৱান ধনৰ ধনী, কিন্তু মানৰ মানী নাছিল। বৰঞ্চ তেওঁৰ নামত গাঁৱৰ ল'ৰা-ছোৱালীহঁতে ফকৰা ৰচিছিলঃ চিকটা অ' লিকটা, বেকেটামুৱা বিকটা। কেনেবা কেনেবা শুনি, তাৰ নাম বোলে চিন্তামণি। ইত্যাদি।

চিন্তামণি যে উচ্চশ্ৰেণীৰ কৃপণ, সেই কথাত দ্বিমত পোষণ কৰা দহোখন গাঁৱতে কোনো নাই। মানুহ বাদেই — আনকি কোনো এটা কাউৰীকো-এমুঠি ভাত বা কুকুৰাক এমুঠি খুদকণ দিয়াৰ বদনামো তেওঁক কোনেও দিব নোৱাৰিব।

এই চিন্তামণি এবাৰ চকুৰ, বেমাৰত পৰিল। চকুৰেদি সদা-সৰ্বক্ষণেই চকুলোৰ ধাৰ বৈ থাকিল, লগতে জ্বলনি-পোৰণিও। আৰু মূৰৰ বিষতো জলা-কলা দেখিছিল।

চুবুৰীয়া গাঁৱত আছিল চিৰন্তন নামৰ নামকৰা বৈদ্য। তেওঁৰ দৰবে হেনো বেমাৰীৰ সৈতে কথা কয়, বেমাৰীক দিয়ে অভয়। চিৰন্তনবৈদ্যৰ আগত অন্য বৈদ্য নিটিকে। চিৰন্তনবৈদ্যৰ প্ৰশংসা গাঁৱৰ ঘৰে-ঘৰে।

চিৰন্তনবৈদ্যৰ চিকিৎসা বোলে বিধোবিধ। একেটাই বেমাৰৰ চিকিৎসা মানুহ-ভেদে ইবিধ-সিবিধ। একেই বেমাৰত ধনিকৰ চিকিৎসা আৰু দুখীয়াৰ চিকিৎসা হেনো দুবিধৰ। তথাপি চিৰন্তন তুলনা নাই। তেওঁ ধন্বন্তৰী। তেওঁৰ হাতত নিঃচিন্ত হয় বেমাৰী।

কৃপণ চিন্তামণিয়ে কিন্তু চিৰন্তনবৈদ্যৰ নাম শুনিলেও ভুৰু কোঁচায়। কিয়নো—চিন্তামণিৰ মতে — চিৰন্তনবৈদ্যৰ পইচাৰ খক মৰ-খক। এবাৰ বাধ্যত পৰি চিন্তামণি চিৰন্তনবৈদ্যৰ সোমাইছিলগৈ। যি-পইচা চিৰন্তনবৈদ্যই উছুল কৰিছিল, সেই পইচাৰ দুখত চিন্তামণি কলিজাৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

বেমাৰী হওঁ হওঁ হৈছিল।

কিন্তু এইবাৰো, এই চকুৰ বেমাৰৰো চিকিৎসা যদি কৰাব লাগে—সেই চিৰদিনীয়া চিৰন্তনবৈদ্যৰ ওচৰলৈহে যাব লাগে। কিয়নো—ওচৰে-পাজৰে আন বেজ-বৈদ্য বোলা কোনো নায়েই।

চিন্তামণিয়ে ভাবি ভাবি এটা উপায় চিন্তিলে। তেওঁ চিৰন্তনবৈদ্যৰ ওচৰলৈ যাব, কিন্তু নিঃকিন-নিছলাৰ ভেশ ধৰি যাব। নিছলা-পিছলা গোটেই উদংহেন হৈ চিৰন্তনৰ কাষ চাপিব। দুখীয়া বুলি জানিলে চিৰন্তনে পইচা নল'ব, দৰবো দিব।

ভবা মতে কাম—চিন্তামণি নাম। পুৰণা-ফটা-ছিঙা আঁঠুলৈকে পিন্ধা লেতেৰাবো লেতেৰা চুৰিয়া-চোলা পিন্ধি চিন্তামণি চিৰন্তনৰ কাষ চাপিল আৰু একেবাৰে কাতি হৈ পৰি লেইটি ল'লে। আৰু চিন্তামণিয়ে তেওঁৰ ভেশ চাই ভাষাও প্ৰয়োগ কৰিলে। যথাসম্ভৱ হালোৱা-জালোৱাই কোৱাদি বেমাৰৰ কথা চিৰন্তনবৈদ্যক কথমপি বুজাই ক'লে আৰু দেউতা-বিধতা বুলি কৈ কৈ ভালৰো ভাল বেজালি কৰাৰ কথাৰে বৌৱা-চৌৱা কৰিবলৈ ধৰিলে।

"চুপ থাকাচোন—চুপ থাকা। মই তোমাৰ বেমাৰ ভাল কৰি দিম, ঠিক হৈ যাবা, ভয়-নকৰিবা। শুনা, যি কওঁ — তাকে কৰিবা। ইফাল-সিফাল হ'লে বেমাৰ বেমাৰেই থাকি যাব—ধুৰুপেই জানিবা।" চিৰন্তনবৈদ্যই গল হেঁকাৰি মাৰি পুনৰ কৈ থাকিল, "চাৰিটামান মূলা কিনি আনিবা। আনি—মূলাবোৰ চকল-চকলকৈ মিহিঁকৈ কাটিবা। তাৰ পাছত সেই মূলাখিনিত নিমখ সানিবা। অলপ পাছত সেই মূলাৰপৰা যিখিনি পানী ওলাব তাৰ লগত হিং মিহলাই সেই হিং-মিহলা মূলা-পানী যিমান



পাৰিবা খাবা। দিনৰ ভাগত। আৰু ৰাতিৰ পৰত—সেই চাৰিটা মূলাৰ চকলখিনি সোপাকে চোবাই খাই শুই নিঃপালি দিবা। এই দৰব চল্লিছ দিনৰ বাবে। চল্লিছ দিনলৈ এই দৰব মই কোৱা মতে ব্যৱহাৰ কৰিলেই তোমাৰ চকুৰ আৰু মূৰৰো বেমাৰ নোহোৱা হ'ব।"

চিন্তামণি ঘৰলৈ উভতি আহিল, আৰু চিৰন্তনবৈদ্যই কৈ দিয়া মতে মূলাই-হিঙে মিলাই, মূলাৰ চকলবোৰ শুকুৱাই অতি কষ্টেৰে খাই থাকিল। এইবোৰ খাওন যে কি — খাবৈয়াইহে বুজিব। মূলাৰ নিমখীয়া ৰসৰ লগত হিং যে কেনে বস্তু—যিয়ে খায় সিহে গম পায়। আৰু—তাৰ পাছত—শোৱাৰ আগতে চাইটা ডাঙৰ ডাঙৰ মূলাৰ শুকান চকলবোৰ! ঔফ্! কী যে টান—খাওঁতে যায় জান।

চল্লিছ দিনক চলিছটা বছৰহে যেন বোধ হ'ল চিন্তামণিৰ। তথাপি—এদিন সেই দৰব-যাতনাৰ চল্লিছদিন শেষ হ'ল।

আৰু যিদিনা শেষ হ'ল—চিন্তামণিয়ে পুড়ি-মিঠাই অনালে আৰু দন টানি খালে। কিন্তু এই খাৱনেই আকৌ নতুন বেমাৰৰো সৃষ্টি কৰিলে। চকুৰ বেমাৰ তেতিয়ালৈকো আছিলেই, লগতে—ভূতৰ ওপৰত দানহ পৰাদি—এই অজীর্ণ ৰোগ।

চিন্তামণিয়ে পুনৰ সেই দুখীয়া-নিছলাৰ ভেশ লৈ চিৰন্তনবৈদ্যৰ কাষ চাপিলে আৰু এই নতুন বেমাৰৰ কথা কেঁকাই-গেঁথাই ক'লে।

চিন্তামণিক চিৰন্তনবৈদ্যই পৰীক্ষা-নিৰীক্ষা কৰিলে আৰু কি কি বস্তু খাইছিল—সেই কথা সঁচাকৈ ক'বলৈ কোৱাত বাধ্যত পৰি চিন্তামণিয়ে সঁচা কথাকে ক'লে।

চিৰন্তনবৈদ্যই সুধিলে, "পুড়ি-মিঠাইৰ পইচা পালা ক'ত? তোমাৰ দেখোন পইচা-পাতি নাই!"

বিমোৰত পৰি চিন্তামণিয়ে ক'লে, "দৌতা—মইনু ক'ৰ পায় আনিম? মই সেই যে—যাক বোলে চিন্তামণি—তেওঁৰ ঘৰত কাম কৰু—তেওঁৱেই খুৱাইছিল।"

"তেনেহ'লে—তুমি এতিয়াই তেওঁৰ ওচৰলৈ গৈ এশ টকা খুজি লৈ আহাঁগৈ যোৱা। এতিয়া তোমাক যি দৰব দিম—তাৰ দাম এশ টকা! তুমি যাবা-আহিবা, তিমানতে দৰব প্ৰস্তুত হৈ যাব।" চিৰন্তনবৈদ্যই ক'লে।

"বৈদ্যডাঙৰীয়া, এয়ানো কেনে কথা হ'ল—? তেওঁ মোক খুৱালে বুলি কিবা জগৰ

লগালেনে যে তেওঁৰপৰা টকা এশ খুজিমগৈ —? এই কাম মই কইৰবাৰ ন'ৰিম —।" চিন্তামণিয়ে ক'লে।

"ঠিক আছে, তুমি নোৱাৰা যদি—ময়েই খুজি আনিমগৈ। বেমাৰীক খাব নলগা বস্তু খুৱাই বেমাৰত পেলাব, আৰু টকা নিদিব মানে —?" এই বুলিকৈ চিৰন্তনবৈদ্যই চিকটা চিন্তামণিৰ মুখৰ ভিতৰত অজীৰ্ণ ৰোগৰ চূৰ্ণ ভৰাই দিলে আৰু লগত পানী এলোটা পি-খাবলৈ দিলে। তাৰ পাছতবৈদ্যই চিন্তামণিক ঘৰলৈ বুলি খোজ ল'বলৈ ক'লে।

এই অজীৰ্ণচূৰ্ণ খাই চিন্তামণিৰ মুখখন বেকেটাবেকেট হৈ পৰিছিল। ঘৰলৈ বুলি বাট বুলি বুলি গৈ থাকোঁতে তেওঁৰ বঁতিয়াওঁ বঁতিয়াওঁ যেন লাগিল, মূৰ আচন্দ্ৰাই পৰি থাকিল, কাণৰ ভিতৰত ভোঁ-ভোঁৱাই থাকিল, আৰু ঠেং দুয়োখনে ধাৰৰ নল-কঁপা দি থাকিল। চিন্তিত চিন্তামণি এজোপা গছৰ তলত ধুপুচকৈ বহি পৰিল আৰু আঁঠুৰ মাজত মূৰ গুঁজি তলমূৰ হৈ বহিয়েই সেই ঠাইত থাকিল।

তিমানতে চিৰন্তনবৈদ্যই চিন্তামণিৰ ঘৰ পাইছিলগৈ। চিন্তামণিক ঘৰত নাপাই চিৰন্তনবৈদ্য গুচি নগ'ল, তাতেই চিন্তামণি অহালৈ বাট চাই ৰৈ থাকিল।

কিছু সময়ৰ অন্তত ভাগৰি-জুগৰি চিন্তামণি আহিল, আৰু আহিয়েই চিৰন্তনবৈদ্যক তাত দেখা পাই কৈ উঠিল, "আ—আ-আপুনি ইয়াত!"

চিৰন্তনবৈদ্যই ক'লে, "মই ঠিকেই অনুমান কৰিছিলোঁ যে তুমি মিছাৰ ভঁৱাল সাজিছা। কিয়নো—এই বেমাৰ মাটি-খোৱা মেহনত-কৰা মানুহৰ নহয়েই। এই বেমাৰ—ঠেঙৰ ওপৰত ঠেং তুলি আৰামৰে খাই থকা—একেবাৰে হিৰীণ-কুটা তিৰীণ নকৰাহঁতৰহে বেমাৰ। এইবোৰ মানুহে তেল ঘিঁউ-জলা-মচলাৰে জুতি লগাই খায়, কিন্তু শ্ৰম নকৰা বাবে জীণ নাযায়, আমাৰো কিছু কিঞ্চিত সুবিধা ওলায়, পইচাৰ দেৱাই টকাৰ বেচি, লওঁ মাননী ডিঙিত হেঁচি। তুমি তোমাক মিছাকৈ আলিৰ ভাই পানি বুলি চিনাকি দিছিলা, আৰু ময়ো বেদলা চাই বেজালি কৰিলোঁ। দায়-দোষ নধৰা, টকা এশ তুৰন্তে দিয়া।"

বৈদ্যৰ হাতত ধৰা-পৰা চিকটা চিন্তামণিয়ে বাধ্যত পৰি এশ-টকা দিছিল।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ অকটʼবাৰ সংখ্যাত ওলাব



S. G. SESHAGIRI

S. G. SESHAGIRI

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হʼব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ অগাস্ট মাহৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হʼব। * নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ জুন সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : আনন্দিত শিশু চাই দান প্ৰকৃতিৰ
দ্বিতীয় ফোটো : মনৰ ৰঙেৰে চিত্ৰে চিত্ৰ সুগভীৰ
পাওঁতা : মাধৱ দাস বৰআলি গাঁও, নিমাতী ঘাট যোৰহাট।

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., Chandamama Buildings, Chennai - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K. Salai, Vadapalani, Chennai - 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুবা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 129.00 ● উৰাজাহাজ-যোগে 276.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 135.00 ● উৰাজাহাজ-যোগে 276.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬



A SHARP MIND NEEDS A SHARP PENCIL

NATARAJ®

* Offer available on 10s pack of Nataraj 621 HB and Nataraj Petals pencils only. Offer valid till stocks last.

everest/95/HPL/25 R

QUALITY PRODUCTS FROM HINDUSTAN PENCILS LTD